## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baanhi | |
| Translated Title: | |
| Place of Publication: Kolkata (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

সপ্তম বছৰ নৱম সংখ্যা

## সূচী


| বিষয় | পিঠি |
|---|---|
| পদুমৰ পাতত পানী | ৪৪৯ |
| সম্পাদকৰ চৰা | ৪৫৩ |
| বিদ্রোহত হিন্দুধৰ্ম্মৰ উন্নতি | ৪৫৪ |
| দিলীত দিনদিয়েক | ৪৭৪ |
| বৰ বোমা | ৪৭৯ |
| বুঢ়াগোহাঁইৰ মালাই ভুনি খিচিৰি | ৪৮৫ |
| ৰজাঘৰীয়া পুৰণি চিঠি | ৪৮৬ |
| বৰবৰুৱাৰ প্রত্নতত্ত্ব | ৪৮৯ |
| মহাত্মা গোখেল | ৪৯৬ |


Nakul Chandra Bhuyan
Jorhat, 20/7/



## পদুমৰ পাতত পানী।

### প্রথম আধ্যা।

পদুমৰ পাততে মুকুতা গুটিদেক
তিৰ্‌বিৰ্‌ কৰিছে জ্বলি।
কাৰে নো মুকুতা, কোনে কৈ দিব,
কোনে নো এৰি থৈ গলি?

দেৱৰে জীয়ৰী, ৰূপেৰে পোহৰী,
আহি ধুইছিল গা;
ডিঙিৰ মালাধাৰি শোলোকাই মানিলে,
পাহৰি গেলাই গল বা?

### দ্বিতীয় আধ্যা।

মলিয়ন হাতেৰে হুছুৰি মণিবোৰ,
মাটিৰে মানুহ যে তই!
দেও-কন্যাটীয়ে সুৰঁৰি নিবহি,
বহি ৰখি থাকোঁ মই।

তুলা যেন কোমল ঐ দেৱৰে জীয়ৰী,
ধল যেন ডিঙিটি বগা;
মুকুতামলাৰে মণিধাৰি নাই!—
আপচু হৈ আছে কিবা!!

### তৃতীয় আধ্যা।

সোণৰ জখলাৰে নামি আহাঁ আইটি!
পিন্ধি সাজে হালধীয়া;
পহুমৰ আঁহেৰে সী মণিকেইটি,
উলটি সৰগলৈ যোৱাঁ।

ঢুল্‌ঢুল্ চকুৰে মণি শোকে কৰে,—
শুকুলা ভিডিটি কত?
নামি আহা আইটি! বুটলি লোৱাঁহি
দিপ্‌লিপ্ মণিটিইত।

### চতুৰ্থ আধ্যা।

কি নো মোৰ কপাল ঐ!—কাতি হল পাতটি;
মণি গল পানীতে মিলি!
ইমান চেনেহিলোঁ, ইমানকৈ ৰখিলোঁ!—
হায়! মণি কলৈ নো গলি!!

### পঞ্চম আধ্যা।

কেতেকী চৰায়ে উৰি কয়ে গল:—
"হেৰা লক্ষ্মীনাথ শুনা!—
তুমিও এইদৰে ব্ৰহ্ম-সাগৰত
মিলিবা আনেকাদিনা!"

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---



## সম্পাদকৰ চৰা।

### আজিকালিৰ অসমীয়াৰ আত্মসম্মান আৰু মনুষত্বে

আছে নে? কতা? দেখোন কৰবাত হঠাইত-এঠাইত, দুজন-চাৰিজনক, চুকে-কোণে, বাদ দি ধৰিলে, নথকাটো হে চকুত পৰে। আজিকালিৰ "শিক্ষিত" বুলি ওফাইদাং মাৰি ফুৰা আৰু "দেশৰ মই নেতা" (leader) বুলি নিজে নিজে ওফন্দি গভাটোপ হৈ থকা অসমীয়া সৰহভাগৰ গাত আত্মসম্মানৰ মৰ-আউসী নাইবা ভীম-একাদশী হে আমি দেখিবলৈ পাওঁ। আগৰ তৰপৰ ইংৰাজী শিক্ষিতৰ গাত—যি তৰপৰ নমুনা আনন্দৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, ফটিকচন্দ্ৰ বৰুৱা, মাণিকচন্দ্ৰ বৰুৱা, ডাক্তৰ বৰা, ইঞ্জিনিয়ৰ বৰা, জগন্নাথ বৰুৱা, জালনুৰ আলি আহমদ, ডাক্তৰ বেজবৰুৱা—সবল সুস্থ আত্ম-সম্মানৰ অভাব কোনবাই কেতিয়াবা দেখিছিল নে? ইংৰাজী শিক্ষাত শিক্ষিত নোহোৱা, কিন্তু সংস্কৃত আৰু পুৰণি দেশী শিক্ষাত সৰ্ব্বতোভাৱে উচ্চ ৰকমে শিক্ষিত আৰু-আগৰ তৰপৰ অসমীয়াৰ (অৰ্থাৎ গৰ্গৰাম বৰুৱা, কেফায়তউল্লা সদৰামিন, গজপুৰীয়া বৰুৱা, দীননাথ বেজবৰুৱা যি তৰপৰ নমুনা, )—প্ৰত্যেক কথা প্ৰত্যেক কামতে আত্মসম্মান আৰু সবল মনুষ্যত্বৰ জলন্ত বিকাশ, তেওঁলোকক দেখাসকলৰ মনত এতিয়াও মছ-নোখোৱাকৈ আছে। কিন্তু হায়! আজিৰ অসমীয়াৰ কি গঢ়, কি ভাৱ! তেওঁলোক পাশ্চাত্য শিক্ষাত শিক্ষিত হৈ, বি-এ, এম-এ, "পাচ" কৰি দেখোন শোৰে-ধৰা নবীয়া যেনহে হৈ শোৱাসেবেলুৱা হৈ পৰিল! তেওঁলোক বি-এ, এম-এ, পাচ কৰি বা "ফেল" হৈ বা এল-এ, এফ-এ, পাচ কৰি বা নকৰি, পাশ্চাত্য শিক্ষাত শিক্ষিত হৈ ইংৰাজী বিদ্যাৰ গিৰ্জাৰ মূধচত উঠি, তাত থকা কুকুৰাটিৰ (weather-cock) নিচিনাকৈ, টেওৰ "পৰদেশীৰ" মুখৰ খোচামোদ আৰু চুপ-চুপ-চাপ-চাপৰ বতাহত, উত্তৰ-দক্ষিণ-পূব-পশ্চিম কেউফালে ঘূৰি থাকে! আজিৰ অসমীয়া শিক্ষিত হাকিম ডাঙৰীয়াক যদি ধুবুৰীৰ ইফালৰ দেশবাসী মানুহৰ দুজন "ক" "খ" "গ" "ঘ"ই দুষাৰ মিঠা মাতেৰে আৰু মিছা কথাৰে, নিজৰ স্বাৰ্থসিদ্ধি কৰিবলৈ,—"আপুনি এনেহে, আপুনি তেনেহে" বুলি, অথচ পেটে-পেটে "বেটা কি মূৰ্খ! কেনে ঠগাইছোঁ!" বুলি, স্বৰ্গত তোলে, তেনেহলে আমাৰ সেই শিক্ষিত ডাঙৰীয়াজন দেখোন একেবাৰেই "পানীকৃত্য" হৈ পৰি, তেতিয়াই তেওঁ উঠি,

তেওঁক বৰটো কৰি বৰচাঙত তোলোঁতাজনক গাৰ বৰ-কাপোৰখনো ধৰাই দি "বাঃ মই কেনে বৰ মানুহ! মোক আন দেশৰ মানুহেও কেনেকৈ বৰটো বুলি চিনিছে, কেনেকৈ appreciate কৰিছে! গৰু অসমীয়াখনেহে মোক নিচিনে, মোক হিংসা কৰি বৰ টা হব নিদিয়ে!" এই বুলি আনন্দৰ উছাহত নাচিবলৈ ধৰে! আজিৰ শিক্ষিত অসমীয়া সম্পাদকক যদি তদ্রূপ প্ৰণালীতে তদ্রূপ লোকে উঠণ্ডাই দি, চিঠি এখন, "ৰিপোৰ্ট" এটা, কিতাপ এটাৰ কলটো-বনটো, শাকমুঠি, বা পচলাটো তেওঁৰ "জগদ্বিখ্যাত" কাকতলৈ পঠিয়াই দিয়ে, তেন্তে তেওঁ গদ্গদ হৈ, লাগিলে আৰু পাৰিলে নিজৰ দেশখনকে দেওৰবীয়া হাটত বেচি থৈ আহি, তেওঁক appreciate কৰা অৰ্থাৎ তেওঁৰ অমূল্য গুণ বুজোঁতাজনৰ গুণ গাই প্ৰশংসাৰ জয়-ঢোল কোবাই দেশ তল ওপৰ লগায়!

***

অসমীয়াই নিজৰ interest ভাল-বেয়া দীঘল-দৃষ্টিৰে চাব নোৱাৰে। সম্প্ৰতি খিতাতে যে অকল তেওঁ অলপ ওপৰ থাপলৈ উঠিল—তাতেই তেওঁ ফুলি উঠি সন্তোষত গদ্গদ! গৱৰ্ণমেণ্টৰ ঘৰৰ চাকৰীতে বা আন কোনো অফিচৰ চাকৰীতে কোনো 'ডিপাৰ্টমেণ্টত' যদি অসমীয়া এজন বৰমূৰীয়া হল, তেওঁৰ তলতীয়া চাকৰীয়াৰ ভিতৰত যাতে কোনো অসমীয়া নাথাকে, সেইটো তেওঁৰ অহোপুৰুষাৰ্থ। তেওঁ তো তেওঁৰ ক্ষমতাৰ ভিতৰত অসমীয়াক কেৰানী বা আন চাকৰী দি সুহুমায়েই, যদি কেনেবাকৈ উফৰি-চিটিকি কোনো অসমীয়া আহি তেওঁৰ তলত পৰিলহি, সেই জনক তেওঁ সহায় কৰি, কাম নাজানিলেও কাম শিকাই লৈ, বা দোষ দেখিলে দোষ শুধৰাই লৈ ৰখা দূৰৰ কথা, মুছৰি-সামৰি পৰিলে মাৰে হে। এনে কুস্কচ স্বভাৱেৰে অসমীয়াই কেতিয়াবা এই পৃথিবীত উন্নতি কৰিব পাৰিব বুলি ভাবিছে নে? এইটো Suicidal policy অৰ্থাৎ আপোনাৰ ভৰিতে আপুনি কুঠাৰঃমৰা স্বভাৱ নহয় নে? অথচ তেওঁলোকে চকুৰ আগতে দেখিছে যে বঙালী আৰু চিলঠীয়া বৰমূৰীয়াসকলে তেনে কৰা দূৰত থাকক, নিজৰ দেশৰ মানুহেৰে তেওঁলোকৰ "অফিচ ঠাহিব লাগিছে!" আমাৰ কথাৰ উদাহৰণস্বৰূপে চিলঙৰ "চেক্ৰেটেৰিয়েটকে" আদি কৰি অফিচবোৰলৈ দেখুৱালেই হব! নাই তো নাই, চিলঙতে দুজন এজন অসমীয়া বৰমূৰীয়া চাকৰীয়া যি আছে, তেওঁলোকে তেওঁলোকৰ সাধ্যমতে তেওঁলোকৰ অফিচত ডেকা অসমীয়াক চাকৰী কিমান দিছে আমি সোধোঁ? অসমীয়াক



অসমীয়াই সহায় কৰি থিয় নকৰিলে, আসামৰ ভৱিষ্যত কি ভাবি চাইছে নে? যদি গৱৰ্ণমেণ্টৰ অফিচ মূৰৰপৰা ভৰিলৈকে অসমীয়া কাৰ্য্যকাৰকসকলৰ দ্বাৰাই পূৰ হয়, তেন্তে গোটেই দেশৰ ফালৰপৰা চালেও যেনেকৈ অসমীয়াৰ কঁকালত বল বাঢ়ে, অফিচৰ বৰমূৰীয়াসকলকে আদি কৰি সৰুমূৰীয়াসকলৰ ফালৰপৰা চালেও যে অসমীয়াৰ নথৈ বল বাঢ়ে, এইটো আপোন-পেটীয়া হিংসা কুৰীয়া অসমীয়াই নেদেখে কিয়? অসমীয়াৰ হিচাপত আত্মসম্মান বুলি পদাৰ্থ এটা নাথাকিলেও প্ৰকৃত স্বাৰ্থ বুলিও তো এটা থাকিব পায়। আমি হলে অসমীয়াৰ এনে পৰ্কিতি দেখি, অসমীয়াৰ ভৱিষ্যত ভালৰ আশাত নিৰাশ হওঁ। অসমীয়া doomed নে? অসমীয়াৰ ওপৰত ঈশ্বৰৰ কি শাওপাত! হে হৰি! অসমীয়াক সুমতি দিয়াঁ। অসমীয়াই অসমীয়াক প্ৰাণেৰ সৈতে ভাল পাবলৈ আৰু মৰম কৰিবলৈ, তুমি শিকাই দিয়াঁ। নহলে চোৱাঁ, অসমীয়াৰ ভৱিষ্যত ঘোৰ এন্ধাৰেৰে ঢকা।

***

যদি তল-থাপৰ নীতি বা অনীতিৰেই চলি, অসমীয়াই কাকো হিংসা নকৰিলে থাকিব নোৱাৰে, তেন্তে নিজৰ দেশৰ দুখীয়া মানুহ কেইটাৰ বাহিৰে আৰু আন কাকো হিংসা কৰিবলৈ নাই নে? অসমীয়াই যদি পৰৰ ভাল দেখি চকু নোপোৰাকৈ থাকিব নোৱাৰে, পৰৰ অনিষ্ট নকৰাকৈ থাকিলে তেওঁলোকৰ নিজৰ পেটৰ ভাতকেইটা জীণ নাযায়, তেন্তে নিজৰ দেশৰ মানুহকেইটাক বাদ দি, দেখোন বৰ বৰ পুখুৰীবোৰক আৰু ডাঙৰ-ডাঙৰ শিলবোৰক হিংসা-ফিংসা যি কৰিব খোজে কৰি, তেওঁলোকৰ গাৰ কুটকুটনি মাৰিব পাৰে। আৰু তেনে কামলৈকো, নিজৰ অসমীয়াকেইটাক গোটাই লৈ একেগোট হৈ লাগিলে, দেখোন সেই পুখুৰীবোৰো শুকাবৰ আৰু শিলবোৰো লৰিবৰ সম্ভৱ হয়, অন্ততঃ তাৰ ফলত আন একো নহওক, নিজৰ দল গধুৰ আৰু বলী যে হব তাত ভুল কি? হিংসা অতি বেয়া প্ৰবৃত্তি নিশ্চয়; কিন্তু তেনে হলেও, তাৰ অলপ সদ্ব্যৱহাৰ কৰিলে তাৰপৰাও নিজৰ জাতীয়তা গঠনত সহায় পোৱা যায়।

***

কালি আসামৰপৰা এখন চিঠি পোৱা গৈছে,—তাত লেখিছে, যে এঠাইত হেনো অসমীয়া "চাৰ্কচ পাৰ্টি" এটাই সুন্দৰকৈ তেওঁলোকৰ খেলা দেখুৱাব লাগিছে; আৰু সেই খেলা কলিকতাত জাৱকালি হোৱা, য়ুৰোপীয় বা ভাৰতীয় কোনো "চাৰ্কচৰ" খেলাতকৈ নীহ নহয়। কিন্তু সঁচা নে মিছা কব নোৱাৰোঁ, চিঠি

লেখোঁতাই কৈছে যে, বঙ্গদেশীয় কোনো লোকে হেনো সেই চাৰ্কচ চাবলৈ নাযায় আৰু চাৰ্কচ কৰোঁতাসকলক উৎসাহ নিদিয়ে, patronize নকৰে। যদি এই কথা সঁচা হে, তেন্তে ইয়াৰ দ্বাৰাই বঙ্গদেশীয়সকলে যি তেওঁলোকৰ vaunted "উদাৰতা" আৰু "উচ্চ শিক্ষাৰ" উদাহৰণ দেখুৱাইছে, সেইটো আমাৰ অলাগতীয়া বুলি আমি এৰি দিও—তাৰপৰা অসমীয়াই এটা ডাঙৰ শিক্ষা লব নোৱাৰে নে? সেইটো হৈছে—স্বজাতিপ্ৰিয়তা। যদিও স্বজাতিপ্ৰিয় হবৰ নিমিত্তে পৰজাতি বিদ্বেষী হবৰ কোনো সকাম নাই, তথাপি এই শিক্ষা অসমীয়াই ললে নথৈ গুণ পাব। অসমীয়াই অসমীয়া কাকত নলয়, লওঁতাসকলেও চেলেংপেতেংকৈ লয়, আৰু সৰহভাগে লৈ পইচা দিব পাৰিলেও নিদিয়ে; কিন্তু কিমান অসমীয়াই বঙ্গলা মাহেকীয়া, সাদিনীয়া কাকত পইচা দি লয়, জানা নে? বহুতো, বহুতো! কিন্তু আসামবাসী বঙ্গালী কেইজনে কোনখন অসমীয়া কাকত লৈ অসমীয়া কাকতক patronize কৰিছে আমি কাকত চলাওঁতাসকলক পোনপটিয়েই সুধিছোঁ, তেওঁলোকে কওকচোন? আমাৰ নিজৰ কথা হলে কব পাৰোঁ, যে আমাৰ বাঁহীৰ গ্ৰাহক এজন কি দুজন হে বঙ্গালী! আসামবাসী বঙ্গালীসকলৰ সৰহভাগেই আসামতে খাই-বৈ ডাঙৰ হৈ অসমীয়াৰ পইচাৰেই ধনী হৈছে, কিন্তু আসাম আৰু অসমীয়া মানুহৰ আৰু অসমীয়া ভাষা আৰু অসমীয়া সাহিত্যৰ উপকাৰৰ নিমিত্তে তেওঁলোকে কেতিয়াবা কুটাকড়ি এটাকে দি সহায় কৰিছে নে? অসমীয়া! তুমি দেখিও নেদেখা, শিকিও নিশিকা কিয়? তোমাৰ আত্মসম্মান আছে নে? বঙ্গদেশৰপৰা যদি চাৰ্কচ, থিয়েটৰ বা যাত্ৰাদল আসাম ওলালহি, অসমীয়াৰ হাতত পইচা নাথাকিলেও অসমীয়াই ঘৈণীয়েকৰ কাণৰ কেৰু, ডিঙিৰ মণি বেচি সেই তামোচা চাবলৈ তিৰ্‌তিৰকৈ লৰ ধৰিব। কিন্তু লোকৰ গড় চোৱা! কলিকতাতে ইমানবোৰ অফিচ আছে, ইমান চাকৰী আছে, আজিলৈকে এজন অসমীয়াই এটাৰ (তল খাপতে) সোমাব পাৰিছে নে? বঙ্গদেশবাসীসকলে মুখেৰে অসমীয়াক যিমান পুতৌ কৰক, সৰহ নেলাগে ১৫ টকীয়া চাকৰী এটাকে এজন অসমীয়াক লবলৈ তেওঁলোকে এৰি দিয়কচোন চাওঁ? কলিকতাত ৩০ বছৰৰ বহুদৰ্শিতাত আমি হলে চকুত বাটি দিবলৈকো এনে এটা ঘটনা দেখা নাই পোৱা। কিন্তু অসমীয়াৰ কৰবাত অফিচ এটা-এডোখৰ থাকিলে তাত বঙ্গভাইৰ "মোহন-মেলা" বুলিলেও মিছা কোৱা নহয়। হায় অসমীয়া! তোমাৰ উদ্ধাৰ কত?



# বিদ্ৰোহত হিন্দুধৰ্ম্মৰ উন্নতি।

(৩)

পুৰণিকলীয়া এটা প্ৰবাদ আছে যে—আৰবদেশৰ বনত ফিনিক্স ( phenix ) নামেৰে এটা বৰ সুন্দৰ চৰাই আছিল। সি ৫০০ কি ৬০০ বছৰৰ মূৰত নানাৰকমৰ সুগন্ধী গছৰ ডাল পাত আৰু এঠাৰে এটা বাহ সাজি তাত বহি নিজৰ পাখিৰে তাত বা দি সেই বাহটোত জুই লগাই দি তাক পোৰে আৰু নিজেও পুৰি ছাই হয়। কিন্তু তাৰ পিছতে সেই ছাইৰপৰা আকৌ এটা তেনেকুৱা সুন্দৰ চৰাই উপজি সেই দৰেই অনেক কাল থাকে। ভাৰতবৰ্ষত বৌদ্ধধৰ্ম্মও অৱনতি প্ৰাপ্ত হৈ সেই দৰে নিজৰ কদাচাৰ আদি পাপ-অগণিৰে নিজেই পুৰি ছাই হোৱাৰ পিছত সেই ছাইৰপৰা সি নতুন হিন্দুধৰ্ম্মৰ আকাৰ ধৰি আকৌ নতুন তেজেৰে উপজিল। কিন্তু এই ধৰ্ম্ম আগৰ নিৰ্ভাজ বৈদিক ব্ৰাহ্মণ্যধৰ্ম্ম নহয়; এই ধৰ্ম্ম প্ৰকৃতপক্ষে বৈদিক ধৰ্ম্মৰ বিদ্ৰোহী সন্তান,—সম্পূৰ্ণ অভিনৱ আকৃতি ধৰি সি জন্ম লোৱা। যদিও ইয়াৰ আকৃতি প্ৰকৃতি ভিন্ন, তথাপি ইয়াত আৰ্য্য-হিন্দুৰ প্ৰধান লক্ষণ—বেদক উচাৎ মাৰি দলিয়াই নেপেলাই বেদক সন্মান (মৌখিক হলেও) কৰাটো লক্ষণৰ অভাৱ নাছিল। সেইদেখি এই নতুন হিন্দু-ধৰ্ম্ম লোকৰ মাজত ব্যাপ্ত হৈছিল যদিও, বেদবিহিত আচাৰ কৰ্ম্ম আৰু চতুৰ্ব্বৰ্ণ বিভাগৰ সোঁত ইয়াৰ লগতে চলি আছিল আৰু আছে। এই ধৰ্ম্মৰ নতুন কথা দুটা :—অৱতাৰবাদ আৰু ভক্তিবাদ; এই দুটা বস্তু বৈদিক কালত অপৰিজ্ঞাত আৰু অপ্ৰচলিত—অন্ততঃ অৱতাৰবাদ। বৌদ্ধধৰ্ম্মই এই দুটা বস্তুৰ ঘাই গুৰি। বুদ্ধক ঈশ্বৰৰ অৱতাৰ ভাবিব ঈশ্বৰক মনুষ্যৰূপে পাই, মানুহে অন্তৰৰ ভক্তি সমৰ্পণ কৰিবলৈ পোৱা বাবে সৰ্ব্বসাধাৰণৰ মাজত বৌদ্ধধৰ্ম্মৰ ইমান প্ৰচাৰ হোৱাৰ এটা কাৰণ বুলি আমি আগেয়ে কৈ আহিছোঁ। পুনৰুত্থান কৰা হিন্দু-ধৰ্ম্ম প্ৰচাৰকসকলে এই কথা ভালকৈ বুজি, বৌদ্ধধৰ্ম্মৰপৰা এই দুটা ঘাই শিক্ষা গ্ৰহণ কৰি, তেওঁলোকৰ প্ৰচাৰিত ধৰ্ম্মক সৰ্ব্বসাধাৰণৰ গ্ৰহণৰ আৰু সম্ভোগৰ বস্তু কৰি তুলিলে। পৃথিবীত ঈশ্বৰৰ নানা অৱতাৰ স্বীকৃত হল, আৰু ঘাইকৈ নৰাৱতাৰ ৰাম আৰু কৃষ্ণৰ কথা প্ৰচাৰিত হল। ভাৰতৰ হিন্দু নৰ নাৰীয়ে বুদ্ধদেৱৰ নিচিনাকৈ ঈশ্বৰৰ নৰাৱতাৰ ৰাম কৃষ্ণক সমুখত ধৰিব-ছুব পৰাকৈ পাই, নিজৰ হৃদয়ৰ ভক্তিপুষ্পাঞ্জলিৰে তেওঁলোকৰ চৰণত আত্মনিবেদন কৰি কৃতাৰ্থ লভিলে। লক্ষ লক্ষ

হিন্দু দেৱ-দেৱীৰ মন্দিৰ ভাৰতত স্থাপিত হল; আৰু সেইবোৰৰ মাহাত্ম্য নানা পুৰাণত লিপিবদ্ধ হল। বৌদ্ধধৰ্ম্মই লণ্ডভণ্ড কৰা হিন্দুৰ চতুৰ্বৰ্ণবিভাগ ভালকৈ কটকটীয়া কৰিবলৈ গৈ, ব্যৱসায় কৰ্ম্মানুসাৰে অলেখ জাতিভেদৰ সৃষ্টি কৰি সেই-বোৰৰ মাজত একো-একোটা ডাঙৰ ধাপ মাৰি পৰম্পৰক সুকীয়া কৰা হল। ব্ৰাহ্মণসকলে যদিও মুখেৰে তেওঁলোকৰ পুৰণি জাত্যভিমান আৰু শ্ৰেষ্ঠতাৰ দাবি সোল অনা কৰিবলৈ এৰা নাছিল, তথাপি নিজৰ অস্তিত্ব আৰু অন্নবস্ত্ৰ অক্ষুণ্ণকৈ ৰাখিবৰ নিমিত্তে এই নানাজাতিৰ মানুহৰ নানাপ্ৰকাৰ ধৰ্ম্মবিশ্বাসৰ পোষকতা কৰি সেইসকলৰ গুৰু পুৰোহিতৰ আসনত লৰালৰিকৈ বহি ললে।

এই নতুন হিন্দুধৰ্ম্ম দুটা প্ৰধান সম্প্ৰদায়ত বিভক্ত;—এটা শৈৱ, আনটো বৈষ্ণৱ। শৈৱসম্প্ৰদায় বৈষ্ণৱসম্প্ৰদায়তকৈ আগেয়ে উদ্ভৱ হোৱাটো অনুমান হয়। শঙ্কৰাচাৰ্য্য শৈৱসম্প্ৰদায়ৰ আদি আৰু ঘাইপ্ৰচাৰক, আৰু ৰামানুজ স্বামী বৈষ্ণৱসম্প্ৰদায়ৰ। শঙ্কৰাচাৰ্য্যই খৃষ্টীয় অষ্টম শতিকাত আৰু ৰামানুজে দ্বাদশ শতিকাত জন্ম গ্ৰহণ কৰিছিল বুলি পণ্ডিতসকলৰ দ্বাৰাই স্থিৰীকৃত হৈছে। শঙ্কৰা-চাৰ্য্যই ভাৰতত প্ৰচলিত জৰাজীৰ্ণ বৌদ্ধধৰ্ম্মৰ বিপক্ষে তুমুল আন্দোলন কৰি, যদিও তাক পৰাভৱ কৰি ভাৰতৰপৰা একপ্ৰকাৰে দেশাত খেদালে, তথাপি তাৰ শিক্ষাৰ সাৰ-সহ ভাৰতৰ মানুহৰ হৃদয়কন্দৰত ৰৈ গল। আন কি শঙ্কৰাচাৰ্য্যৰ প্ৰচাৰিত ধৰ্ম্মপ্ৰণালীৰ গাতে বৌদ্ধধৰ্ম্ম প্ৰদৰ্শিত আৰু অৱলম্বিত শিক্ষা আৰু প্ৰণালী স্পষ্টকৈ থাকি গল। তেওঁৰ ধৰ্ম্ম প্ৰচাৰৰ নিমিত্তে সন্ন্যাসী সম্প্ৰদায়ৰ সৃষ্টিতে এই লক্ষণ জাজ্বল্যমান। আমি আগৰ প্ৰবন্ধত কৈছোঁ যে, শেহৰ ফালৰ কালত ভাৰতত বৌদ্ধধৰ্ম্ম কুসংস্কাৰাপন্ন হৈ জৰাজীৰ্ণ অৱস্থাত আপুনি এধানৰা হৈ পৰিছিল, এনে অৱস্থাত শঙ্কৰাচাৰ্য্যৰ শকত আঙুলিৰ হেচাত সি একেবাৰেই মাটিত পৰি গল। ইয়াৰ বাহিৰেও আৰু দুটা কাৰণত বৌদ্ধধৰ্ম্ম বিলুপ্ত হল,—(১) তুৰাণী কনিষ্ক ৰজাৰ ৰাজ্য ধ্বংস, আৰু শকাৰি বিক্ৰমাদিত্যৰ দ্বাৰাই শকবোৰৰ পৰাভৱ। (২) নতুন প্ৰবল ৰাজপুত ৰজাসকলক আৰু ৰাজপুত জাতিক পুৰণি ক্ষত্ৰিয় জাতিৰ সম্মানলৈ ব্ৰাহ্মণসকলে তুলি তাৰ অন্তৰ্ভুক্ত কৰি, কৃতজ্ঞ তেওঁলোকৰ সহায়েৰে কৰা বৌদ্ধ-দমন। আৰু এটা কথা স্পষ্ট দেখা যায় যে ব্ৰাহ্মণ্য ধৰ্ম্মৰ দ্বাৰাই বৌদ্ধধৰ্ম্মৰ সম্পূৰ্ণ দলন সংসাধিত হল কেতিয়া? যেতিয়া ভাৰতৰ লক্ষ লক্ষ অনাৰ্য্যসকলৰ ফালে ব্ৰাহ্মণসকলে হাত মেলি, সেইসকলক এই নতুন, হিন্দু-ধৰ্ম্মৰ সীমাৰ ভিতৰুৱা কৰি,



সেইসকলৰ সহায় গ্ৰহণ কৰিলে। কিন্তু এই কাৰ্য্যত ব্ৰাহ্মণসকলৰ যেনেকৈ উদাৰতা প্ৰকাশ হল, তেনেকৈ তেওঁলোকৰ ওখ ধৰ্ম্মৰ আসনৰপৰা কিছু দূৰ পতনো ঘটিল। কাৰণ মিত-মাত কৰি সন্ধি স্থাপন কৰি নিজৰ দল বঢ়াই শক্তিশালী হবলৈ গলে, "Give and take" দিয়া আৰু নিয়া, দুইটা কৰিব লগীয়া হয়। ব্ৰাহ্মণ-সকলে অনাৰ্য্যসকলক হিন্দুধৰ্ম্ম দি হিন্দু কৰিলে হয়, কিন্তু অনাৰ্য্যসকলৰো কুসংস্কাৰ, ধৰ্ম্মবিশ্বাস আৰু দেৱ দেৱীসকলক, নিজে তললৈ নামি, তেওঁলোকৰ ধৰ্ম্মৰ ভিতৰুৱা কৰি লব লগীয়াত পৰিল। শঙ্কৰাচাৰ্য্য প্ৰচাৰিত শৈৱ ধৰ্ম্ম দাৰ্শনিক তত্বপূৰ্ণ ওখ শাৰীৰ ধৰ্ম্ম; বেদান্তত তাৰ উৎপত্তি। তেওঁৰ কৃত বেদান্তৰ ভাষ্য আৰু জীৱ ব্ৰহ্মৰ একত্ব প্ৰতিপাদক অদ্বৈতবাদ তেওঁৰ ধৰ্ম্মমতৰ প্ৰাণ। তেওঁ কৈছিল—বিশ্বৰ একমাত্ৰ কৰ্ত্তা, এক মাথোন আদি কাৰণক চিন্তা আৰু ধ্যানেৰে পূজা উপাসনা কৰিব লাগে। "শঙ্কৰাচাৰ্য্য শুদ্ধ বা নিৰ্ব্বিশেষ অদ্বৈতবাদী। তেওঁৰ নিৰ্গুণ ব্ৰহ্ম সূক্ষ্মাতিসূক্ষ্ম ধাৰণাৰো অতীত। তেওঁ জীৱ আৰু ব্ৰহ্মক এক কৰি, জগৎ একেবাৰে মিছা বুলি, এনেকি সগুণ ঈশ্বৰো পৰমাৰ্থ্যত অবিদ্যাকল্পিত এনে মন্তব্য প্ৰকাশ কৰি প্ৰায় বৌদ্ধৰ শূন্যবাদৰ ওচৰ পাইছিল গৈ। সেইদেখি তেওঁৰ মায়াবাদক প্ৰচ্ছন্ন বৌদ্ধ বুলি নিন্দা কৰা একো আচৰিত নহয়। সি যি হওক, তেওঁৰ প্ৰদৰ্শিত ধৰ্ম্মমত জ্ঞানী সংসাৰত্যাগী সাধকসকলৰ পক্ষে উপযুক্ত হলেও যে সাধাৰণৰ উপযোগী নহল এই বিষয়ে কোনো সন্দেহ নাই।"—( শ্ৰীযুত কনকলাল বৰুৱাৰ প্ৰবন্ধ, বাঁহী, জেঠ ৭ম সংখ্যা। ) বেদান্তৰ শাঙ্কৰ ভাষ্য এই মতৰ প্ৰধান শাস্ত্ৰ। কিন্তু তেওঁৰ প্ৰচাৰিত এই ওখ আসনৰ ধৰ্ম্ম এমুঠি শিক্ষিত লোকৰ নিমিত্তে হে। সৰহভাগ অশিক্ষিত অজ্ঞান-অন্ধকাৰাচ্ছন্ন লোকলৈ তেওঁৰ আন ব্যৱস্থা;—ব্ৰত, উপবাস, তীৰ্থ ভ্ৰমণ, নানা মূৰ্ত্তি পূজা, ইত্যাদি। তেওঁৰ দ্বাৰাই সৰ্ব্ব-সাধাৰণৰ নিমিত্তে বিহিত এই দ্বিতীয় শ্ৰেণীৰ শৈৱ ধৰ্ম্ম আৰু তাৰে লগৰীয়া শাক্ত ধৰ্ম্ম, ওপৰত কোৱা শিক্ষিতসকলৰ নিমিত্তে বিহিত প্ৰথম শ্ৰেণীৰ ওখ ধৰ্ম্মৰপৰা বৰ বেলেগ। সম্ভৱত, শিক্ষিত জ্ঞানীসকলৰ আৰু অশিক্ষিতসকলৰ মাজত ইমান পৃথককৈ দুবিধ ধৰ্ম্মৰ প্ৰচলনেই শৈৱধৰ্ম্মৰ অৱনতিৰ গুৰি। ইয়াৰ দ্বাৰাই বিশিষ্ট মস্তিষ্ক সম্পন্ন লোকক সৰ্ব্বসাধাৰণৰপৰা ইমানকৈ আঁতৰোৱা হল যে বৈদিক সুন্দৰ নিৰ্ম্মল দেৱতা ৰুদ্ৰ আৰু উমাই অনাৰ্য্য সংস্কাৰপ্ৰসূত ভয়ঙ্কৰ শ্মশানবাসী আৰু ৰক্তলোলুপা কৰালবদনী দেৱ দেৱীত পৰিণত হল। শিৱ আৰু কালীৰ বৈদিক তাণ্ডৱত ৰুদ্ৰ

আৰু তেওঁৰ গৃহিণী উনাৰ গাত এনে ভীষণ মূৰ্ত্তি আৰু স্বভাৱৰ কল্পনা নাই। দাক্ষিণাত্যত তেওঁৰ মতাৱলম্বী যিসকল ব্ৰাহ্মণ আছিল, আৰু হিন্দু-ধৰ্ম্মৰ বাতৰি লোকৰ মাজত প্ৰকাশ কৰোঁতা আন আন যি ব্ৰাহ্মণ উত্তৰ ভাৰতৰপৰা আহি আছিল, দাক্ষিণাত্যৰ পুৰণি অনাৰ্য্য জাতিৰ তুলনাত তেওঁলোকৰ লেখ নিচেই তাকৰ। গতিকে সেই অনাৰ্য্য দ্ৰাবিড়ীসকলক হিন্দুধৰ্ম্মৰ ভিতৰুৱা কৰোঁতা শঙ্কৰাচাৰ্য্যই আৰু তেওঁৰ ব্ৰাহ্মণ শিষ্যবৰ্গই Give and take অৰ্থাৎ সন্ধি নীতিৰ অনুবৰ্ত্তী হৈ যে অনাৰ্য্যসকলৰ অনেক কুসংস্কাৰ আৰু দেব দেবী পূজাৰ ৰীতি হিন্দু-ধৰ্ম্মত ঠাই দিব লগীয়াত পৰিছিল, সেইটো সহজে বুজিব পাৰি। উত্তৰ ভাৰতলৈকো স্কাইথিয় অথবা শক, হূন, জাট অথবা গথ, প্ৰভৃতি বিদেশী আক্ৰমণকাৰীৰ যিবোৰ প্ৰবল সোঁতা আহিছিল, সেইবোৰ কালক্ৰমত যদিও ভাৰতৰপৰা পৰাভূত হৈ বিতাৰিত হল, তথাপি সেইসকলৰ বিস্তৰ অৱশেষ ভাৰতত ৰৈ গল, যিসকল লাহে লাহে হিন্দুধৰ্ম্মৰ অন্তৰ্গত হৈ পৰিল। সেইসকলক নিজৰ ভিতৰুৱা কৰি লওঁতেও, এই ন-কৈ উঠা হিন্দুধৰ্ম্মই ( নিজৰ দি সেইসকলৰপৰা লওঁতে ) সেইসকলৰ অনেক কুসংস্কাৰ ধৰ্ম্ম-কৰ্ম্ম আৰু দেব দেবী পূজাৰ ভীষণ ৰীতি, নিজে তললৈ নামি গৈ আত্মসাৎ কৰিব লগীয়া হৈছিল। মুঠতে এইটো ঠিক, যে শঙ্কৰাচাৰ্য্যই গুৰি ধৰি পুনৰ থিয় কৰা এই নতুন হিন্দুধৰ্ম্মই বৌদ্ধধৰ্ম্মক দমন কৰি ভাৰতৰপৰা খেদাবৰ নিমিত্তে, দাক্ষিণাত্যত প্ৰবল অনাৰ্য্য দ্ৰাবিড়ীসকলৰ, আৰু আৰ্য্যাবৰ্ত্তত প্ৰবল বিদেশী অথচ তেতিয়া নিগাজীকৈ ভাৰতবাসী হোৱা হূন, গথ আৰু শকসকলক সন্তুষ্ট কৰি নিজৰ ভিতৰুৱা কৰি ডাঙৰ দল বান্ধি লব লগীয়াত পৰিছিল। ফলত এই দুই কাৰণৰ নিমিত্তে জাত্যভিমানদৃপ্ত ব্ৰাহ্মণসকলৰ ক্ষমতা তেওঁলোকৰ অনিচ্ছা সত্ত্বেও তেওঁলোকে নিজে খৰ্ব্ব কৰিব লগীয়াত পৰিছিল ; আৰু তেওঁলোকৰ ব্ৰাহ্মণ্যধৰ্ম্ম এই যুগৰ নতুন হিন্দুধৰ্ম্মৰ আকৃতিত ইমান বহল হৈ পৰিছিল, যে তাত নিৰ্গুণ পৰমব্ৰহ্মৰপৰা আৰম্ভ কৰি ভূত, প্ৰেত, মৰিশালি, গছ-গছনি, জলশায়—থলশায় ডাঙৰীয়ালৈকে সকলোবোৰলৈকে ঠাই ওলাইছিল ; আৰু সকলোবোৰ পূজা-পাটলৰে আগতে ব্ৰাহ্মণে পুৰোহিত হৈ বহি দক্ষিণা আৰু মাহ-চাউলৰ খোল সানৰিব পাৰিছিল। হিন্দু-সমাজৰ তল শ্ৰেণীৰ শৈব আৰু শাক্তসকলৰ ভিতৰত অনাৰ্য্যসকলৰ ধৰ্ম্মবিশ্বাস আৰু কুসংস্কাৰৰ প্ৰভাৱ ঘোৰ তামসিক প্ৰণালীৰ পূজা আদিত ইমান স্পষ্ট যে সেইবোৰৰ গুৰি কত, সেইটো দেখিলেই বুজিব পাৰি ; কাৰণ



আৰ্য্যসকলৰ স্বভাৱ আৰু চিন্তাত তেনেকুৱা লক্ষণ আগৰ কালত কেতিয়াও থকাটো দেখা নাযায়। কিন্তু বৈষ্ণৱধৰ্ম্মত এনে উৎকট লক্ষণ নাই। বৈষ্ণৱধৰ্ম্ম more humane and spiritual সাত্ত্বিক আৰু করুণাৰ ধৰ্ম্ম। শৈব আৰু শাক্তধৰ্ম্মত যেনেকৈ অনাৰ্য্যধৰ্ম্মৰ লক্ষণ আৰু প্ৰভাৱ বেছি পৰিব্যক্ত, বৈষ্ণৱধৰ্ম্মত সেই দৰে করুণাৰ ধৰ্ম্ম বৌদ্ধধৰ্ম্মৰ প্ৰভাৱ আৰু লক্ষণ বেছি পৰিব্যক্ত। অৱতাৰবাদী বৈষ্ণৱ-ধৰ্ম্মই আত্মানুভূতি কৰি সেইদেখিয়াই বুদ্ধদেৱক বিষ্ণুৰ ৯ম অৱতাৰ বুলি স্বীকাৰ কৰি ললে। শ্ৰীমদ্ভগবদ্ গীতা বৈষ্ণৱৰ ঘাই শাস্ত্ৰ। গীতাই অৱতাৰবাদ আৰু ভক্তিবাদৰ প্ৰথম আৰু প্ৰধান প্ৰতিষ্ঠাপক। শ্ৰীমদ্ভাগৱত সেই দুই প্ৰধান বস্তুৰ বিশদ আৰু সুমধুৰ ব্যাখ্যা। উপনিষদ সাংখ্য আৰু বেদান্তৰ নিগূঢ় দাৰ্শনিক ঈশ্বৰতত্ত্ব সৰ্ব্বসাধাৰণৰ সহজবোধ্য আৰু সুলভভোগ্য নহয়। সৰ্ব্বসাধাৰণে বুজিবলৈ আৰু বুজি দৈনিক জীৱনত সৰ্ব্বতোভাৱে উপভোগ কৰিবলৈ নৰতনুধাৰী শান্ত মূৰ্ত্তিৰ Personal God সগুণ ঈশ্বৰক লাগে। গীতা ভাগৱতে সেই দুই বস্তু সৰ্ব্বসাধাৰণৰ আগত উপস্থিত কৰিলে ; আৰু তেনেজন ঈশ্বৰক সেৱা কৰি মনত সন্তোষ আৰু শান্তি দিবলৈ প্ৰধান উপায় ভক্তিবাদ প্ৰচাৰ কৰিলে। মৰুভূমি সুজলা সুফলা শস্যশ্যামলা হল। কলুষলাই থকা জীৱই শান্তি পালে। ব্যাসে শ্ৰীমদ্ভাগৱত ৰচনা কৰি মনত এই বাবেই শান্তি পালে ; এইবাবেই তেওঁৰ শুকান মনলৈ প্ৰেমৰ বান আহিল ; আৰু জগৎ প্ৰেমৰসেৰে পুলকিত হল। বিষ্ণুৰ অৱতাৰ ৰাম আৰু কৃষ্ণক ভক্তি কৰি, আকুল নৰনাৰীয়ে সকলো সম্বন্ধতে পাই কৃতাৰ্থ মানিলে। হিন্দুৰ বেদ উপনিষদে ধৰ্ম্মক জ্ঞানৰ ( knowledge ) ওখ ৰাজসিংহাসনত বহুৱাই দুজন চাৰিজনে অতি কষ্টেৰে হে ঢুকি পোৱা কৰি ৰাখিছিল, গীতা ভাগৱতে সেই ধৰ্ম্মক আৰু প্ৰাণৰ দেৱতা ঈশ্বৰক অনুভূতি আৰু হৃদয়ৰ সৰস বস্তু কৰি সকলোৰে ঘৰুৱা বস্তু কৰি দিলে। কিন্তু এই গীতা ভাগৱতৰ প্ৰতিপাদিত ধৰ্ম্ম আৰু শিক্ষা যদিও কাৰ্য্যত আৰু অনেক সময়ত কথাতো স্পষ্টৰূপে বৈদিক ব্ৰাহ্মণ্যধৰ্ম্মৰ বিদ্ৰোহী, তথাপি বেদেৰে সৈতে তাৰ অবিচ্ছিন্ন সংযোগ কেতিয়াও সি নেৰিছিল, আৰু বেদৰ প্ৰাধান্য আৰু বেদৰ সম্মান অস্বীকাৰ আৰু অৱজ্ঞা নকৰিছিল। আমি আগেয়ে কৈ অহা— ভাৰতীয় ধৰ্ম্মসংস্কাৰকৰ বিদ্ৰোহৰ প্ৰণালীৰ লক্ষণ ইয়াতো ঘোল অনা বিদ্যমান ; আৰু পিছত এই ধৰ্ম্মকে ভালকৈ সৰ্ব্বসাধাৰণৰ মাজত প্ৰচাৰ কৰোঁতা মহাপুৰুষ ধৰ্ম্ম প্ৰচাৰকসকলৰ প্ৰণালীতো বিদ্যমান।

বৈষ্ণৱধৰ্ম্মৰ প্ৰথম ডাঙৰ প্ৰবৰ্ত্তক ৰামানুজ স্বামী। শঙ্কৰাচাৰ্য্যৰ দৰে তেৱোঁ বেদান্ত দৰ্শনৰ ভাষ্য কৰিছিল, কিন্তু দুয়ো একেখন শাস্ত্ৰকে অৱলম্বন কৰি দুটা স্বকীয়া বাটৰ মূৰত ওলাইছিলগৈ। ৰামানুজৰ ভাষ্যৰ নাম শ্ৰীভাষ্য। তেওঁৰ মতক বিশিষ্টাদ্বৈতবাদ বা দ্বৈতাদ্বৈতবাদ বোলে। ৰামানুজ স্বামীৰ শ্ৰীভাষ্য ভক্তিমাৰ্গৰ দৰ্শন শাস্ত্ৰ বুলিব পাৰি। ৰামানুজে তেওঁৰ পুথিত শঙ্কৰাচাৰ্য্যৰ দ্বৈতবাদ মত খণ্ডন কৰিছে। খৃষ্টীয় দ্বাদশ শতিকাত ৰামানুজ স্বামী দক্ষিণ ভাৰতত আবিৰ্ভূত হৈছিল। তেওঁ শৈৱসকলৰ মত খণ্ডন কৰি তুমুল আন্দোলন উপস্থিত কৰিছিল। সেইদেখি শৈৱ বজাৰ ৰাজ্যৰপৰা তেওঁ প্ৰাণ লৈ পলাব লগীয়াত পৰিছিল। তেওঁ বৈষ্ণৱধৰ্ম্মৰ মত প্ৰতিপাদন কৰি যি যি গ্ৰন্থ ৰচনা কৰিছিল সেইবোৰ সংস্কৃতত। সেইদেখি সংস্কৃত নজনা সৰ্ব্বসাধাৰণে তাক বুজিব নোৱাৰিছিল। বাস্তবিক পক্ষত পশ্চিমত সৰ্ব্বসাধাৰণৰ মাজত বৈষ্ণৱধৰ্ম্ম ভালকৈ প্ৰচাৰিত হয়, ৰামানন্দ আৰু তেওঁৰ শিষ্য কবীৰ, ৰুইদাস আদিৰ দ্বাৰাই; কাৰণ তেওঁলোকে চলিত দেশীয় ভাষাত তেওঁলোকৰ গ্ৰন্থ ৰচনা কৰিছিল আৰু বৈষ্ণৱধৰ্ম্মৰ শিক্ষা প্ৰচাৰ কৰিছিল। ৰামানন্দ চতুৰ্দ্দশ শতিকাৰ শেহত কি পঞ্চদশ শতিকাৰ আদিতে প্ৰাদুৰ্ভূত হৈছিল। এই ডোখৰ কালক হিন্দুধৰ্ম্মৰ বিশেষকৈ বৈষ্ণৱধৰ্ম্মৰ Renaissance Period পুনৰ্জ্জীৱন বা অভ্যুদয়ৰ কাল বুলিব পাৰি। য়ুৰোপতো এই ডোখৰ কালক "ৰেণাচেন্স" কাল বোলে, কাৰণ "প্ৰটেষ্টেণ্ট ধৰ্ম্ম" অৰ্থাৎ পুৰণি খৃষ্টান ধৰ্ম্মৰ বিপক্ষে বিদ্ৰোহী নতুন খৃষ্টান ধৰ্ম্ম সংস্থাপক মাৰ্টিন লুথৰৰো কাল এই ডোখৰেই। পুৰণি হিন্দুধৰ্ম্মৰো প্ৰতিবাদকাৰী বিদ্ৰোহী নতুন হিন্দুধৰ্ম্ম অৰ্থাৎ বৈষ্ণৱধৰ্ম্মৰ জলন্ত অভ্যুদয়ৰ কালও এই ডোখৰেই। পশ্চিমত ৰামানন্দ কবীৰ আদিয়ে, উত্তৰত হৰিব্যাসে, বঙ্গত চৈতন্যই, মহাৰাষ্ট্ৰত তুকাৰাম আৰু একনাথে আৰু আসামত আমাৰ শঙ্কৰদেৱে, সকলো লোকৰ সহজবোধ্য আৰু সুলভ কৰি নিজৰ দেশৰ প্ৰচলিত ভাষাত হিন্দুধৰ্ম্মৰ সাৰ ভক্তিমূলক বৈষ্ণৱধৰ্ম্ম এই ডোখৰ কালতে প্ৰচাৰ কৰে। এই বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰক মহাপুৰুষসকলৰ প্ৰধান শিক্ষা,—ভক্তিৰ শ্ৰেষ্ঠতা, আৰু ভক্ত আৰু ভগৱন্তৰ একত্ব, আৰু ব্ৰাহ্মণ চণ্ডাল নিৰ্ব্বিশেষে ভক্তিৰ অধিকাৰী হোৱা। এওঁলোকে ব্ৰাহ্মণ্যধৰ্ম্মৰ প্ৰধান ভেটি,—শ্ৰেষ্ঠজাতৰ অৰ্থাৎ ঘাইকৈ ব্ৰাহ্মণৰ হে ধৰ্ম্মত অধিকাৰ আৰু ধৰ্ম্মশাস্ত্ৰাদি পাঠত অধিকাৰ, ইত্যাদি সংকীৰ্ণমতৰ গুৰিত কুঠাৰ মাৰি, সকলোকে ব্ৰাহ্মণৰ সহায় নোহোৱাকৈও মুক্তিৰ অধিকাৰ দান কৰিলে; আৰু



জ্ঞানৰ ওপৰত ভক্তিৰ আসন পাতিলে। এওঁলোকৰ ভিতৰত কবীৰ সকলোতকৈ স্পষ্টবক্তা আছিল। তেওঁ যেই ৰাম সেই আলি বুলি স্পষ্টকৈ কৈ, হিন্দু মুছলমান সকলোকে সমানভাৱে ঈশ্বৰৰ ফালে যাবলৈ কৈছিল, আৰু ঈশ্বৰ লাভৰ নিমিত্তে বেদ বা কোৰাণৰ অকলশৰীয়া অধিকাৰৰ বিপক্ষে প্ৰতিবাদ, গল মেলি কৰিছিল। কবীৰৰ ধৰ্ম্মমত ইচ্‌লাম ধৰ্ম্মৰ একেশ্বৰবাদৰ প্ৰভাৱে যে কিছুদূৰ গঢ় লগাইছিল, সেইটো সহজে বুজিব পাৰি যদিও, হিন্দুধৰ্ম্মৰ একশ্বৰবাদৰ ছাঁ তাত পৰি সেই পৰিমাণে তাক অভিভূত কৰা নাছিল এনে বুলিও থাকিব নোৱাৰি। কিন্তু কবীৰৰ পিছত, গুৰু নানকৰ ধৰ্ম্মত মছলেম ধৰ্ম্মৰ প্ৰভাৱ আৰু স্পষ্টকৈ বিকশিত হৈ উঠিছিল। নানকৰ ১৪৬৯ খৃষ্টাব্দত জন্ম হয় আৰু ১৫৩৯ খৃষ্টাব্দত মৃত্যু হয়। তেওঁ কুৰিকুৰেঁাতে কবীৰক লগ পাইছিল, সেইদেখি কবীৰৰ মত আৰু শিক্ষাই তেওঁৰ ধৰ্ম্মমতত যে কিছুদূৰ গঢ় দিছিল, ভাবিবলৈ এনে কাৰণ আছে। নানকৰ প্ৰধান শিক্ষা এক ঈশ্বৰ নিৰাকাৰ। নানক, শঙ্কৰাচাৰ্য্য আৰু ৰামানন্দৰ নিচিনা দাৰ্শনিক পণ্ডিত ধৰ্ম্মসংস্কাৰক নাছিল, তেওঁ হাতে-কলমে কাম কৰোঁতা ধৰ্ম্মসংস্কাৰক আছিল। তেওঁ ধৰ্ম্ম বিষয়ত হিন্দু আৰু মুছলমানক একেডাল সূতাৰে গুথিবলৈ নথৈ চেষ্টা কৰিছিল। কিন্তু দৈৱৰ এনে বিড়ম্বনা যে তেওঁ স্থাপন কৰা সম্প্ৰদায়ৰ প্ৰতি মুছলমান সম্ৰাটসকলৰ, ঘাইকৈ আউৰেংজেবৰ কঠোৰ ব্যৱহাৰ আৰু দৌৰাত্ম্যৰ ফলত তেওঁ গঠন কৰা শিখ সম্প্ৰদায় কালক্ৰমত মছ্‌লেম ধৰ্ম্মৰ ঘোৰ শত্ৰু হৈ পৰিল। কবীৰ আৰু বিশেষকৈ নানকৰ ধৰ্ম্মমত আৰু ধৰ্ম্মপ্ৰচাৰ সেই যুগত ব্ৰাহ্মণ্যধৰ্ম্মৰ ঘোৰ প্ৰতিবাদ আৰু তাৰ বিপক্ষে ডাঙৰ বিদ্ৰোহ।

ব্ৰাহ্মণ্যধৰ্ম্মৰ বিপক্ষে কবীৰ আৰু নানক আদিৰ বিদ্ৰোহৰ কথা যি কোৱা গল, সেই বিদ্ৰোহৰ গাত যদিও ইচ্‌লাম ধৰ্ম্মৰ চাট পৰি সি পৰিপুষ্ট হৈছিল, তথাপি সেই বিদ্ৰোহ স্বদেশী বিদ্ৰোহৰ প্ৰধান লক্ষণবিবৰ্জ্জিত নাছিল; সেইদেখি সেই বিদ্ৰোহীসকলৰ নিমিত্তেও, হিন্দুধৰ্ম্মৰ বহল হোৱা সীমাৰ ভিতৰত ঠাই হৈছিল; আৰু ফলত হিন্দুধৰ্ম্মৰ উন্নতি আৰু বৃদ্ধি ঘটিছিল। ভাৰতত ইংৰাজ ৰাজ্য সংস্থাপনৰ পিছতে যি ধৰ্ম্মবিদ্ৰোহ সংঘটিত হৈছিল, সেই বিদ্ৰোহ প্ৰাচ্য আৰু পাশ্চাত্য শিক্ষা সভ্যতা আৰু ভাবৰ সংমিলনত উৎপন্ন হৈছিল। এই বিদ্ৰোহ মহাত্মা ৰামমোহন ৰায়ৰ দ্বাৰাই সাধিত হৈছিল। যদিও ৰামমোহন ৰায়ে তেওঁৰ আগৰ কালৰ হিন্দু সংস্কাৰকসকলৰ দৰেই সনাতন হিন্দুধৰ্ম্মৰ অৰ্থাৎ প্ৰাচীন বৈদিক ধৰ্ম্মৰ ভিতৰুৱা

কৰি ৰাখিয়েই বেদ উপনিষদৰ একেশ্বৰবাদ মূলক ব্ৰাহ্মধৰ্ম্ম প্ৰচাৰ কৰিছিল, আৰু হিন্দুধৰ্ম্মৰে সৈতে যাতে এই ধৰ্ম্ম বিচ্ছিন্ন নহয়, সেই কথা তেওঁ মুখেৰেও কৈছিল আৰু তাৰ নিমিত্তে অশেষ যত্নও কৰিছিল, আৰু ৰামমোহন ৰায়ৰ ধৰ্ম্মৰ উত্তৰাধিকাৰী মহৰ্ষি দেবেন্দ্ৰ নাথেও তেওঁৰ "আদি সমাজ" সেই আৰ্হিতে ৰাখিবলৈ শেষলৈকে যত্ন কৰিছিল আৰু ৰাখিছিলও, তথাপি ৰামমোহন ৰায়ৰ মৃত্যুৰ কিছু কালৰ পিছত পাশ্চাত্য শিক্ষাত শিক্ষিত, পাশ্চাত্য খৃষ্টিয়ান ধৰ্ম্মৰ তত্বত পৰিপক্ক আৰু আদি সমাজৰ পৰা বিচ্ছিন্ন হোৱা ব্ৰাহ্মসকলৰ কাৰ্য্যৰ দ্বাৰাই আৰু ঘাইকৈ মহাত্মা কেশৱচন্দ্ৰ সেনৰ প্ৰভাৱত তেওঁৰ স্থাপিত "ভাৰতবৰ্ষীয় ব্ৰাহ্মসমাজ" আৰু তেওঁৰ দলৰপৰা আকৌ ফাটি পৰি সুকীয়াকৈ স্থাপিত হোৱা "সাধাৰণ ব্ৰাহ্ম-সমাজ" হিন্দুধৰ্ম্মৰপৰা আঁতৰ হৈ পৰিল। ৰামমোহন ৰায়ে সংস্থাপন কৰা ব্ৰাহ্মধৰ্ম্মৰ বীজক সৰ্ব্বতোভাৱে সতেজ সবল কৰি বৰ্দ্ধিত আৰু পুষ্পিত কৰোঁতা মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰৰো সম্পূৰ্ণ ইচ্ছা সম্পূৰ্ণ যত্ন আছিল, যাতে একেশ্বৰবাদ মূৰ্ত্তিপূজাবিৰহিত ব্ৰাহ্মধৰ্ম্ম বেদ উপনিষদকে কেন্দ্ৰ কৰি বৰ্দ্ধিত হৈ সম্পূৰ্ণ হিন্দুভাবাপন্ন আৰু হিন্দু লক্ষণসম্পন্ন হৈ থাকে; কিন্তু মনীষি কেশৱচন্দ্ৰ সেনকে প্ৰমুখ্য কৰি পাশ্চাত্য শিক্ষাৰে, পাশ্চাত্য দৰ্শন বিজ্ঞানেৰে দৃপ্ত প্ৰবল ডেকাসকলৰ প্ৰভাৱত তেৰোঁ কোনো কোনো বিষয়ত সেই আদৰ্শৰপৰা এখোজ-দোখোজ পিছলিব লগীয়াত পৰিছিল। শেষত যেতিয়া নতুন উৎসাহেৰে প্ৰজ্বলিত মহাবাগ্মী মহাপ্ৰভাৱশালী কেশৱচন্দ্ৰ তেওঁৰ মতাৱলম্বীসকলেৰে সৈতে অতি বেগেৰে হিন্দুধৰ্ম্মৰপৰা আঁতৰ হৈ যাবলৈ ধৰিলে, তেতিয়া মহৰ্ষি দেবেন্দ্ৰনাথে মনত অতি দুখেৰে তেওঁলোকৰপৰা সম্বন্ধ ছিঙ্গি ৰামমোহন ৰায়ৰ ব্ৰাহ্মসমাজ ব্ৰাহ্ম ধৰ্ম্মক তাৰ আগৰ হিন্দু লক্ষণ হিন্দু প্ৰকৃতি যিমান দূৰ সম্ভৱ ৰক্ষা কৰি, তাক "আদি ব্ৰাহ্মসমাজ" নাম দি তাৰ ৰক্ষক পোষক পালক হৈ থাকিল। আমি সাহেৰে কব পাৰোঁ, যে যদি কেশৱচন্দ্ৰ প্ৰভৃতিৰ সম্পৰ্কত দেবেন্দ্ৰনাথ গুৰিৰেপৰা নপৰিলহেঁতেন, গোটেই ব্ৰাহ্মসমাজ ব্ৰাহ্মধৰ্ম্ম, ৰাজা ৰামমোহন ৰায়ৰ পুৰণি আদৰ্শ মতে চলি, আজিলৈকে হিন্দুধৰ্ম্মৰ ভিতৰুৱা হৈ থাকি হিন্দুধৰ্ম্মৰ পৰিপুষ্টিৰ কাৰণ হল হেঁতেন। মহৰ্ষি দেবেন্দ্ৰনাথে শেষলৈকে তেওঁৰ আদি সমাজক বৈদিক হিন্দু ভাবাপন্ন কৰি হিন্দুধৰ্ম্মৰ একশাখা বুলি প্ৰতিপন্ন কৰি গৈছে, আৰু তেওঁৰ উপযুক্ত পুত্ৰসকল আজিলৈকে মহৰ্ষিৰ সেই আদৰ্শৰপৰা পাৰ্য্যমানে স্খলিত নহবলৈ যত্নবান। গৱৰ্ণমেণ্টৰ Census অৰ্থাৎ মানুহ পিয়লৰ বিবৰণৰ কিতাপত এতিয়ালৈৰে আদি



ব্ৰাহ্মসমাজভুক্ত ব্ৰাহ্মসকলে নিজক হিন্দু বুলি লেখায় আৰু সকলো সময়ত হিন্দু বুলি গৌৰৱ অনুভৱ কৰে। আদি সমাজত অসবৰ্ণ বিবাহ প্ৰচলিত হব নিদিয়ে। আদি সমাজত আৰু বিশেষকৈ মহৰ্ষিৰ পৰিবাৰৰ ভিতৰত উপনয়নাদি ব্ৰাহ্মণৰ দশ সংস্কাৰ ৰাখিছে। বিবাহ আদি কাৰ্য্য বেদৰ বিধিমতে সম্পাদিত হয়। প্ৰতিমা পূজা নথকা সকলো হিন্দু ক্ৰিয়া নিয়ম মতে সম্পাদিত হয়। মুঠতে বৈদিক কালৰ একেশ্বৰবাদ হিন্দুধৰ্ম্ম বা আৰ্য্যধৰ্ম্ম যেনে আছিল, হোম আদি ক্ৰিয়াৰ বাহিৰে, তেনেকৈ আচৰণ কৰা, তেনেকৈ চলাটোহে ৰামমোহন ৰায় সংস্থাপিত আৰু দেবেন্দ্ৰ নাথ ঠাকুৰ পৰিবৰ্দ্ধিত আৰু পৰিপুষ্ট আদি ব্ৰাহ্মসমাজৰ নিয়ম। দুখৰ বিষয়, কেশৱচন্দ্ৰ সেনে স্থাপনা কৰা "ভাৰতবৰ্ষীয় ব্ৰাহ্মসমাজ বা নৱবিধান সমাজৰ" আৰু তেওঁৰপৰা ফাটি গৈ পিছত স্থাপিত হোৱা "সাধাৰণ ব্ৰাহ্মসমাজৰ"—যাৰ অন্তৰ্গত লোকসকলে নিজক হিন্দু বুলি পৰিচয় নিদি অকল ব্ৰাহ্ম বুলিবলৈ ভাল পায়, আৰু যতদূৰ সম্ভৱ, হিন্দু সমাজৰ আচাৰ ব্যৱহাৰৰপৰা নিজক সুকীয়াকৈ ৰাখিবলৈ চেষ্টা কৰে—সেইসকলক দেখি সৰ্ব্বসাধাৰণ লোকৰ মনত "আদি সমাজ"ভুক্ত ব্ৰাহ্ম ধৰ্ম্মাৱলম্বীসকলৰো সম্পৰ্কে এটা ভুল ধাৰণা জন্মিছে। কিন্তু বাস্তৱিক পক্ষত ৰামমোহন আৰু দেবেন্দ্ৰনাথৰ "আদি ব্ৰাহ্মসমাজ" যে হিন্দুধৰ্ম্ম আৰু হিন্দু সমাজৰ অন্তৰ্গত এটা ওথ শাৰীৰ অঙ্গ তাৰ কোনো ভুল নাই। ৰামমোহন ৰায়ক তেওঁৰ বিপক্ষ দলে অহিন্দু ধৰ্ম্মসংস্কাৰক আৰু প্ৰচাৰক বুলি আক্ৰমণ কৰাত সেই কথাৰ তেওঁ তুমুল প্ৰতিবাদ কৰিছিল। ৰামমোহন ৰায়ে তেওঁৰ দেশী ভাইসকলক তেওঁৰ প্ৰচাৰিত ব্ৰাহ্মধৰ্ম্ম অকল যুক্তিযুক্ত আৰু বিবেক বুদ্ধি সাপেক্ষ বুলিয়েই যে গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিছিল এনে নহয়, সেই ধৰ্ম্ম আৰ্য্যসকলৰ পবিত্ৰ বেদ উপনিষদ সম্মত বুলিও। তেওঁক অহিন্দু বুলি বিপক্ষ দলে আক্ৰমণ কৰাত তেওঁ কৈছিল—

"In none of my writings, nor in any verbal discussion, have I ever pretended the title of reformer or discover; so far from such an assumption, I have urged in every work that I have hitherto published that the doctrine of the unity of God are real Hinduism, as that religion was practised by our ancestors, and as it is well-known even at the present

age to many learned Brahmins, I beg to repeat to a few of the passages. to which I allude. In the introduction to the abridgement of the vedanto I have said; ' In order, therefore, to Vindicate my own faith and that of *our forefathers* I have been endeavouring, for sometime past, to convince my countrymen of the *true meaning of our sacred books*, and prove that my aberration deserves not the opprobium which some unreflecting persons have been so ready to throw upon me. 'আৰু এঠাইত তেওঁ কৈছে—" The present is an endeavour to render an abridgement of the Vedanta into English, by which I expect to prove to my European friends that the superstitious practices which deform the Hindu religion, have nothing to do with the pure spirit of its dictates." কেনোপনিষদৰ পাতনিত তেওঁ কৈছে—"This work will I trust by explaining to my countrymen *the real spirit of the Hindu Scriptures which is but the declaration* of the unity of God tend to a great degree to correct the erroneous conception which have prevailed with regard to the doctrines they inculcate" ঈশোপনিষদৰ পাতনিত তেওঁ লিখিছে—" Many Brahmans are perfectly aware of the absurdity of idol-worship and *are well-informed of the nature of the pure mode of Divine Worship.*"

১৭৭২ খৃষ্টাব্দত বঙ্গদেশৰ ৰাধানগৰ (হুগলী জিলা) নামে ঠাইত ৰামমোহন ৰায়ৰ জন্ম হয়। তেওঁ উচ্চবংশীয় ব্ৰাহ্মণ আৰু বৈষ্ণৱধৰ্ম্মাবলম্বী পৰিবাৰৰ সন্তান,কিন্তু তেওঁৰ মোমায়েকৰ ঘৰ ঘোৰ শাক্ত আছিল। ৰামমোহন আৰবী, পাৰ্চী, বঙ্গলা আৰু সংস্কৃত ;বিদ্যাত নিপুণ হৈছিল। চুফী সম্প্ৰদায়ৰ মুছলমানসকলৰ দাৰ্শনিকতত্ত্বসম্বলিত সুন্দৰ কবিতা তেওঁ পঢ়িবলৈ বৰ ভাল পাইছিল। সম্ভৱতঃ চুফী সম্প্ৰদায়ৰ গ্ৰন্থ পঢ়িয়েই প্ৰথমতে তেওঁৰ মনত একেশ্বৰবাদৰ কথা আৰু মূৰ্ত্তিপূজাৰ বিপক্ষে ধাৰণা প্ৰৱল



হয়। তেওঁ আৰবী ভাষাৰ পাতনিৰে সৈতে পাৰ্চী ভাষাত প্ৰথমতে একেশ্বৰবাদ সমৰ্থন কৰি এখন গ্ৰন্থ লেখে। সৰুৰেপৰা তেওঁ চিন্তাশীল আৰু সকলো কথাৰ গুৰি বিচৰা স্বভাৱৰ আছিল। পোন্ধৰ বছৰ বয়সত তেও ঘৰ এৰি তিব্বতলৈ গৈছিল, আৰু তিনি-চাৰি বছৰৰ পিছত হে ঘৰলৈ উভতি আহে। ঘৰলৈ আহি ঘৰত সৰহ দিন নাথাকি তেওঁ আকৌ গৈ কাশীত সংস্কৃত শাস্ত্ৰ পঢ়িবলৈ ধৰিলে। কাশীতে তেওঁ ১০।১২ বছৰ আছিল।

১৮০৩ খৃষ্টাব্দত ৰামমোহন ৰায়ৰ বাপেকৰ মৃত্যু হয়, আৰু সেই বছৰতে তেওঁ মুৰ্চিদাবাদত বসতি কৰে গৈ। ওপৰত কোৱা পাৰ্চীভাষাত লেখা গ্ৰন্থখন তেওঁ মুৰ্চিদাবাদতে প্ৰকাশ কৰে। ১৮০৪ খৃষ্টাব্দত তেওঁ ইষ্ট ইণ্ডিয়া কোম্পানীৰ চাকৰী গ্ৰহণ কৰি ১৮১৪ খৃষ্টাব্দলৈকে সেই কামত থাকে। ডিগ্‌বি ( Digby ) নামে এজন ইংৰাজ তেওঁৰ "ওপৰৱালা" আছিল। ডিগ্‌বিৰে সৈতে ৰামমোহন ৰায়ৰ বন্ধুতা জন্মে। ইয়াৰ আগেয়ে ৰামমোহনে ভালকৈ ইংৰাজী নাজানিছিল; কিন্তু এই ডিগ্‌বিয়ে লেখা ইংৰাজী চিঠিপত্ৰ আৰু "ৰিপোৰ্টবোৰ" পঢ়ি, আৰু ডিগ্‌বিৰে সৈতে আৰু আন আন ইংৰাজসকলেৰে সৈতে ইংৰাজীভাষাত কথা কৈ অচিৰতে তেওঁ ভালকৈ ইংৰাজী কব পৰা আৰু লেখিব পৰা হল। তেওঁ ইংৰাজী বাতৰি কাকতো মন দি পঢ়িছিল। ৰংপুৰত থকাডোখৰ কালত ৰামমোহনে দিনো গধূলি তেওঁৰ বন্ধুসকলেৰে সৈতে ধৰ্ম্ম সম্বন্ধে আলোচনা আৰু তৰ্ক কৰি, প্ৰতিমা পূজাৰ অসাৰ্থকতাৰ বিষয়ে বুজাইছিল; ফলত সেই ঠাইৰ "গোৰা হিন্দুসকল" তেওঁৰ শত্ৰু হৈ উঠিছিল। আন কি, সেইবাবে,ৰামমোহনে তেওঁৰ নিজৰ নাকৰ হাততো কঠোৰ ব্যৱহাৰ লভিব লগীয়াত পৰিছিল।

১৮১১ খৃষ্টাব্দত ৰামমোহনৰ ককায়েক জগমোহনৰ মৃত্যু হলত, মৃতকৰ বিধৱা বৈণীয়েক দেশৰ প্ৰথা অনুসাৰে সতী যোৱাটো থিৰ হল। ৰামমোহনে সেই নিষ্ঠুৰ কাৰ্য্যৰ বিপক্ষে যিমান পাৰে কৈও সেই কাৰ্য্য বন্ধ কৰাব নোৱাৰিলে। চিতাত তেওঁৰ বৌয়েকৰ গাত জুইৰ আগ লাগিলত বৌয়েকে চিঞৰি তাৰপৰা নামি সাৰিবলৈ চেষ্টা কৰা সত্ত্বেও, চাৰিউফালৰ মানুহে বাঁহেৰে হেঁচামাৰি ধৰি তেওঁক আহিব নিদিয়াকৈ তাতে ৰাখি পুৰি মাৰিলে, আৰু মৰণ কালৰ তেওঁৰ আৰ্ত্তনাদ চাৰিউফালৰ ঢোল খোল তালৰ মাতেৰে বুৰাই পেলালে। ৰামমোহনে এই নিষ্ঠুৰ কাৰ্য্য চকুৰ আগতে দেখি তেওঁৰ অন্তঃকৰণ ক্ৰোধ আৰু ঘৃণাৰে পৰিপূৰ্ণ হল। তেওঁ তেতিয়াই

মনতে প্রতিজ্ঞা কৰিলে যে এনে নৃশংস প্রথাৰ উচ্ছেদ নকৰাকৈ তেওঁ নেৰে। উনৈশ বছৰ তেওঁ নানা তর্ক কৰি নানা পুস্তিকা ছপাই, গবর্ণমেণ্টৰ ঘৰত আৰু সৰ্ব্ব-সাধাৰণৰ ভিতৰত নানা আন্দোলন কৰি, শেহত কৃতকার্য্য হল ;—১৮২৯ খৃষ্টাব্দত সতী-প্রথা গবর্ণমেণ্টৰ আইনৰ দ্বাৰাই ৰহিত হল। ১৮১৪ খৃষ্টাব্দৰপৰা ৰামমোহন ৰায় কলিকতাবাসী হল। তেতিয়াৰেপৰা তেওঁৰ জীৱন দেশহিতকৰ এক বিশাল কার্য্যক্ষেত্রত পৰিণত হল। দেশত ইংৰাজী শিক্ষাৰ প্রচাৰ, ধর্ম্ম ৰীতি নীতি আদিৰ উন্নতি, ৰাজনৈতিক উন্নতি, ইত্যাদি নানা কার্য্যত তেওঁ প্রাণ সমর্পণ কৰি লাগিল। কিন্তু সকলোবোৰৰে ভিতৰত,— মূর্ত্তিপূজা গুচাই একেশ্বৰ পূজাৰ পুনৰ সংস্থাপন আৰু সতী-প্রথা নিবাৰণেই, তেওঁৰ চিন্তা চেষ্টা আৰু পৰিশ্ৰমৰ সৰহভাগ পাইছিল। ১৮১৫ খৃষ্টাব্দত তেওঁ কলিকতাত "আত্মীয় সভা" নামে এক আধ্যাত্মিক উন্নতিৰ নিমিত্তে ধর্ম্মসভা স্থাপনা কৰে,—যাক ব্রাহ্মসমাজৰ আগ-বগুৱা বুলিব পাৰি। সভ্যসকলৰ ভিতৰত তেওঁৰ পৰম বন্ধু দ্বাৰকানাথ ঠাকুৰকে আদি কৰি অনেক গণ্যমান্য মানুহ আছিল। সেই সভাত বেদ উপনিষদৰ শ্লোক পঢ়ি ব্যাখ্যা কৰা হৈছিল, স্তোত্র আদি পাঠ হৈছিল। ৰামমোহনে তেওঁৰ এনেবোৰ কার্য্যত চাৰিউফালৰপৰা নানা বিঘিনা নানা বাধা পাইছিল, যাইকৈ ব্রাহ্মণ পণ্ডিতসকলৰ পৰা ; কিন্তু সেই সকলোকে তেওঁৰ বিদ্যা জ্ঞান আৰু যুক্তি তর্কেৰে তেওঁ পৰাভৱ কৰি, নিজৰ কার্য্য আগবঢ়াই লৈ গৈছিল। তেওঁৰ বিপক্ষ দলৰ ভিতৰত প্রধান—মাদ্রাজৰ গবর্ণমেণ্ট কলেজৰ অধ্যাপক ডাঙৰ পণ্ডিত শঙ্কৰ শাস্ত্রী আৰু কলিকতাৰ গবর্ণমেণ্ট কলেজৰ অধ্যাপক মৃত্যুঞ্জয় বিদ্যালঙ্কাৰ। এওঁলোকেৰে সৈতে তেওঁ তুমুল তর্কযুদ্ধ কৰিব লগীয়াত পৰিছিল। "Madras Curior" নামে এখন ইংৰাজি কাকতত শঙ্কৰ শাস্ত্রীয়ে ৰামমোহন ৰায়ৰ মত খণ্ডন কৰিবৰ চেষ্টা কৰি তেওঁক আক্রমণ কৰি এটা ডাঙৰ প্রবন্ধ লেখিছিল। তাৰ উত্তৰ ৰামমোহনে "Defence of Hindu Theisin" নামে এখন কিতাপ লেখি দিয়ে ; আৰু "বেদান্ত চন্দ্রিকা" নামে কাকতত ওলোৱা মৃত্যুঞ্জয় বিদ্যালঙ্কাৰৰ আক্রমণৰ উত্তৰ, ৰামমোহনে "A sound Defence of the Monotheisical System of the Vedas" নামেৰে কিতাপ লেখি দিয়ে। সতীদাহ প্রথাৰ বিৰুদ্ধেও পুস্তিকা প্রচাৰ কৰি তেওঁ যুক্তি দেখুৱায়, আৰু ১৮২১ খৃষ্টাব্দত "সংবাদ কৌমুদী" নামেৰে এখন বঙ্গলা কাকত উলিয়াই তাত ক্রমাগত লেখি, বিপক্ষ দলৰ মত তেওঁ খণ্ড বিখণ্ড কৰে।



সতীদাহ নিবাৰণ আইন বিধিবদ্ধ হোৱাৰ পিছত তেওঁৰ বিপক্ষ দলৰপৰা, ৮০০ হিন্দুৰ চহিয়ে এখন দৰ্খাস্ত গবর্ণমেণ্টক দি সেই আইন ৰদ কৰিবলৈ প্রার্থনা কৰা হয়। ৰামমোহন ৰায়ে সেই দৰ্খাস্তৰ বিৰুদ্ধে অনেক মানুহৰ চহিয়ে এখন দৰ্খাস্ত গবর্ণৰ জেনেৰেলক দিয়ে ; আৰু ১৮৩০ খৃষ্টাব্দত "Abstract of the Arguments regazding the Burning of Widows Considered as a Religions Rite" নামেৰে এখন কিতাপ লেখি সতীদাহ নিবাৰণৰ সম্পর্কে তর্ক আৰু আন্দোলন শেষ কৰে। ৰামমোহন ৰায়ে খৃষ্টিয়ান ধর্ম্মৰ মূল শিক্ষাবোৰত বৰকৈ শ্রদ্ধা কৰিছিল, কিন্তু Historical Christianity অর্থাৎ Miracle অর্থাৎ অলৌকিক ঘটনাবোৰেৰে সৈতে কথিত খৃষ্টিয়ানিটিৰ ওপৰত তেওঁৰ আস্থা নাছিল। সেইবাবে, খৃষ্টান পাদ্রীসকলৰো তেওঁ বিশেষ বিৰাগভাজন হৈছিল। য়ুৰোপৰ খৃষ্টান ধর্ম্মৰ কথা পঢ়ি শুনি তেওঁৰো সেই প্রণালীত হিন্দুধর্ম্ম সংস্কাৰৰ প্রবল স্পৃহা হৈছিল। আচল বাইবোলৰ মৰ্ম্ম ভালকৈ বুজিবৰ নিমিত্তে তেওঁ গ্রীক আৰু হিব্রুভাষা শিকি সেই সেই ভাষাত লেখা বাইবোল পঢ়িছিল। তাৰ ফলস্বৰূপে "The Precepts of Jesus" নামে এখন কিতাপ ৰচনা কৰি তেওঁ ১৮১০ খৃষ্টাব্দত প্রকাশ কৰে। ইয়াৰ ফলত খৃষ্টান পাদ্রীসকলেৰে সৈতে Friend of India" নামেৰে কাকতত তেওঁৰ তুমুল তর্ক হয়। খৃষ্টানসকলৰ আক্রমণৰ উত্তৰ তেওঁ আৰু তিনিখন ইংৰাজী কিতাপ লেখি দিয়ে। পাদ্রীসকলে ইয়াৰ পিছত "সমাচাৰ দর্পণ" নামে তেওঁলোকৰ সাময়িক পত্রিকা এখনত হিন্দুধর্ম্মৰ ওপৰত তীক্ষ্ণবাণ বর্ষণ কৰা দেখি, ৰামমোহন ৰায়ে "The Brahmanical Magazine" নামে এখন কাকত উলিয়াই অকল যে হিন্দুধর্ম্মক সুন্দৰকৈ সমর্থন কৰিলে এনে নহয়, খৃষ্টানসকলৰ Miracleৰ নিচিনি অনেক মতৰ ওপৰত আৰু তীক্ষ্ণতৰ বাণ বৰষিবলৈ ধৰিলে। প্রকৃত খৃষ্টধর্ম্ম আৰু তাৰ সাৰভাগত তেওঁৰ অশেষ শ্রদ্ধা আছিল বুলি কোৱা হৈছে। তেওঁ "নিউটেষ্টেমেণ্ট" বাইবোলৰ বঙ্গলা ভাঙালৈ ভাঙনি কৰিবলৈকো ধৰিছিল। এডেম আৰু ইয়েটচ (Adam ; Yates) নামে দুজন শিক্ষিত ইংৰাজ মিছনৰিক তেওঁৰ মতলৈ আনি "ইউনিটেৰিয়ান" (Unitarian) মতাবলম্বী কৰা বাবে কলিকতাৰ "গোৰা" খৃষ্টিয়ানসকলে মর্ম্মান্তিক বেজাৰ পাই, তেওঁৰ ওপৰত মহাক্রুদ্ধ হৈছিল।

ৰামমোহন ৰায়ৰ জীৱনব্যাপী কার্য্যৰ সুফল ব্রাহ্মধর্ম্ম আৰু ব্রাহ্মসমাজ সংস্থাপন।

তেওঁ কিছুমান সুশিক্ষিত সুমাৰ্জ্জিত, ধাৰ্ম্মিক আৰু আহাওধীয়া উৎসাহী লোকক অৱশেষত তেওঁৰ পতাকাৰ তলত গোটাই লৈ ব্ৰাহ্মসমাজ সংস্থাপন কৰিলে। ১৮৩০ খৃষ্টাব্দত ৰামমোহন ৰায়ে তেওঁৰ সুবিখ্যাত “ট্ৰষ্টডীড” (Trust deed) কৰি ব্ৰাহ্ম-সমাজক স্থায়িত্ব দি, ১৯ নবেম্বৰত বিলাতলৈ যাত্ৰা কৰে, আৰু তাৰ তিনি বছৰৰ পিছত বিলাততে তেওঁৰ মৃত্যু ঘটে। তেওঁৰ ট্ৰষ্টডীডৰ (ন্যাস পত্ৰ) পৰা গোটাচেৰেক কথা তুলি দিওঁ, যাৰ দ্বাৰাই তেওঁৰ প্ৰচাৰিত ধৰ্ম্মৰ বিষয়ে তেওঁৰ idea মত বুজা যাব। -(১) যি পুৰুষ নিত্য আৰু অপৰিবৰ্ত্তনীয় আৰু যাক অন্বেষণ কৰি পোৱা নাযায়, যি এই জগতৰ স্ৰষ্টা আৰু পাতা, তেওঁৰ উপাসনা আৰু আৰাধনাৰ নিমিত্তে যি সকলে ভক্তিভাৱে আহিব আৰু কোনো গোলমাল নকৰে, সেইসকলৰ সাধাৰণৰ মিলনস্থলস্বৰূপে এই সমাজ-গৃহ ব্যৱহৃত হব, কিন্তু কোনো সম্প্ৰদায় বা ব্যক্তিবিশেষৰ দ্বাৰাই ব্যৱহৃত উপাধি সেই নিত্যপুৰুষৰ প্ৰতি প্ৰযুক্ত হব নোৱাৰে। (২ কোনো ব্যক্তি বা বস্তুৰ প্ৰতিমূৰ্ত্তি বা ছবি বা খোদিত কাষ্ঠ ফলক, চিত্ৰ প্ৰভৃতি একো থাকিব নোৱাৰে। (৩) কোনো প্ৰকাৰ বলিদান বা আহুতি প্ৰদান হব নোৱাৰিব। ধৰ্ম্মৰ বা আহাৰৰ উদ্দেশ্যেৰে কোনো প্ৰাণী হত্যা নহব। (৪) ঘটনাক্ৰমে প্ৰাণৰক্ষাৰ নিমিত্তে আৱশ্যক নহলে ইয়াত পানাহাৰ বা ভোজ অথবা মদামৰি কৰিবলৈ দিয়া নহব। (৫) কোনো সম্প্ৰদায় বা ব্যক্তি বিশেষৰ দ্বাৰাই পূজিত কোনো পদাৰ্থৰ প্ৰতি উপাসনাৰ সময়ত কোনো নিন্দাসূচক বাক্য প্ৰযুক্ত হব নোৱাৰিব। (৬) স্ৰষ্টা আৰু পাতা পুৰুষৰ ধ্যান প্ৰবৰ্ত্তক আৰু দয়া, নীতি, বদান্যতা আৰু সম্প্ৰদায় নিৰ্ব্বিশেষে মিলন-সাধক ব্যতীত আন কোনো প্ৰকাৰ উপদেশ, প্ৰাৰ্থনা বা সঙ্গীত হব নোৱাৰিব। (৭) খ্যাতিবিশিষ্ট আৰু জ্ঞান ধৰ্ম্ম আৰু সুনীতিৰ নিমিত্তে সৰ্ব্বজনবিদিত কোনো লোকক স্থায়ী পৰিদৰ্শকৰূপে উপাসনা কাৰ্য্য পৰিদৰ্শন কৰিবৰ নিমিত্তে নিযুক্ত কৰা হব। (৮) প্ৰতিদিন অথবা অন্ততঃ সপ্তাহত এদিন এই উপাসনা কাৰ্য্য সম্পন্ন হব।

সৰ্ব্বসাধাৰণে একে ঠাইতে গোটখাই উপাসনা কৰিবৰ নিমিত্তে সমাজ সংস্থাপনৰ প্ৰণালী ৰামমোহন ৰায়ে সম্ভৱতঃ খৃষ্টীয় আৰু মুছলমান সকলৰপৰা লৈছিল। কাৰণ বঙ্গদেশত হে এনে প্ৰণালীৰে উপাসনা কৰা দস্তুৰ নাছিল, আসামত নাম-ঘৰ গোঁসাই-ঘৰ সাজি তাত একেলগে বহি নাম গাই ঈশ্বৰৰ উপাসনা কৰা প্ৰণালী শঙ্কৰদেৱৰ কালৰেপৰা প্ৰচলিত। শঙ্কৰদেৱৰ প্ৰতিভাই (genius) এই উন্নত আৰু উৎকৃষ্ট প্ৰণালী আজি চাৰি শ বছৰৰ আগেয়েই আবিষ্কাৰ কৰি চলাইছিল। ধৰ্ম্মপ্ৰচাৰ আৰু ঈশ্বৰক উপাসনা কৰিবৰ এনে প্ৰণালী চৈতন্যদেৱৰ দ্বাৰাইও পৰিস্ফুট আৰু বিকশিত হোৱা নাছিল।



ব্ৰাহ্মসমাজ সংস্থাপনৰ ইতিহাস সমন্ধে আদি ব্ৰাহ্মসমাজৰ মুখপত্ৰ বঙ্গলা “তত্ত্ব-বোধিনী পত্ৰিকা”ৰপৰা ইয়াতে অলপ তুলি দিওঁ,—“ব্ৰাহ্মসমাজের উৎপত্তি হইয়াছিল প্ৰাচীন আৰু নবীন সম্প্ৰদায়ের ভাবসমূহের সংঘৰ্ষে। একদিকে মূৰ্ত্তিপূজা ও জাতিভেদ প্ৰভৃতি সূত্ৰে প্ৰাচীন সম্প্ৰদায়ের মধ্যে ভণ্ডামী কিছু প্ৰবল হইয়াছিল; অথচ তাঁহাৰা লুকাইয়া মুসলমানদিগের হস্তপক্ক পাঁউৰুটী ও মাংস ভোজনে দ্বিধা কৰিতেন না। অপৰদিকে ইংৰাজী শিক্ষায় নূতন আলোকপ্ৰাপ্ত নবীন সম্প্ৰদায় এই প্ৰকাৰ লুকোচুৰি ও ভণ্ডামীৰ সৰ্ব্বতোভাবে বিৰোধী ছিলেন। প্ৰাচীনদিগের ভণ্ডামীৰ প্ৰতিঘাতস্বৰূপে তাঁহাৰা বিপৰীত সীমায় গিয়া প্ৰকাশ্যে মদ্য ও মাংস খাইতে সূত্ৰপাত কৰিলেন। * * ইতিপূৰ্ব্বে ৰাজা ৰামমোহন ৰায় “বজ্ৰসূচী” নামৰ এক বৌদ্ধগ্ৰন্থের অনুবাদ প্ৰকাশ কৰিয়া জাতিভেদ প্ৰথাৰ অযৌক্তিকতা প্ৰদৰ্শন কৰিতে লাগিলেন। * * ৰামমোহন ৰায় জাতিভেদের অযৌক্তিকতা প্ৰদৰ্শন ব্যতীত নানাবিধ গ্ৰন্থ ও পুস্তিকা প্ৰকাশের দ্বাৰা জনসাধাৰণের মনকে অল্প বিস্তৰ ব্ৰহ্মোপাসনাৰ দিকে আকৰ্ষণ কৰিতেছিলেন। * * একদিকে যেমন ব্ৰাহ্মসমাজকে ৰামমোহন ৰায়েৰ সমসাময়িক হিন্দুসমাজের প্ৰাচীন ও নবীন সম্প্ৰদায়েৰ ভাবসংঘৰ্ষেৰ ফল বলিতে পাৰি, সেইৰূপ ইহাকে তদানীন্তন খৃষ্টীয় সমাজেৰ ও প্ৰাচীন ও নবীন ভাব সমূহেৰ ঘাতপ্ৰতিঘাতেৰ ফল বলা যাইতে পাৰে। খৃষ্টীয় মিশনৰিদিগের সহিত ৰামমোহন ৰায়েৰ তৰ্কযুদ্ধ সৰ্ব্বজনবিদিত। * * ১৮২১ খৃষ্টাব্দে অ্যাডাম এবং য়েটস্ নামক দুই মিশনৰি ৰামমোহন ৰায়েৰ সাহায্যে নিউটেষ্টামেণ্টের বঙ্গানুবাদে প্ৰবৃত্ত হয়েন। এই অনুবাদ সূত্ৰে স্বভাবতই বাইবেলের নানা বিষয়ে তাঁহাদেৰ পৰস্পৰেৰ মধ্যে বাদানুবাদ হইত। বলা বাহুল্য যে মিশনৰিদ্বয়কে অনেক সময়ে পৰাজয় স্বীকাৰ কৰিতে হইত। ফলে য়েটস্ অনুবাদ কাৰ্য্য হইতে অবসৰ গ্ৰহণ কৰিলেন। অ্যাডাম সাহেব অনুবাদ কাৰ্য্যে শেষ পৰ্য্যন্ত লিপ্ত ছিলেন বটে, কিন্তু তিনি খৃষ্টপ্ৰচাৰকেৰ পৰিবৰ্ত্তে একেশ্বৰবাদী হইয়া পড়িলেন। * * বিলাতে ইউনিটেৰিয়ান খৃষ্টান নামক এক সম্প্ৰদায় আছে। এই সম্প্ৰদায়েৰ লোকেৰা খৃষ্টেৰ ঈশ্বৰত্ব স্বীকাৰ কৰেন না। অ্যাডাম নিজেৰ

মিসনৰি সমাজ ত্যাগ কৰিয়া ইউনিটেৰীয় সমাজভুক্ত হইতে বাধ্য হইলেন।” ১৮২১ খৃষ্টাব্দত “কলিকাতা ইউনিটেৰীয় কমিটি” নামেৰে এক সমিতি স্থাপিত হল। তাৰ সংস্থাপক এডেমৰে সৈতে ছজন বিখ্যাত ডাঙৰ ইংৰাজ আৰু চাৰিজন বিখ্যাত ডাঙৰ মান্যৱন্ত বঙ্গালী সভ্য আছিল। বঙ্গালী কেইজনৰ নাম,—ৰামমোহন ৰায়, দ্বাৰকানাথ ঠাকুৰ, প্ৰসন্নকুমাৰ ঠাকুৰ, ৰাধাপ্ৰসাদ ৰায়। ৰামমোহন ৰায়ে এই সমিতিত ৫০০০৲ টকা, দ্বাৰকানাথ ঠাকুৰে ৫০০০৲ টকা প্ৰচাৰ বিভাগ খুলিবৰ নিমিত্তে দিছিল। এডেম প্ৰচাৰক নিযুক্ত হল। প্ৰথমতে এই কমিটিৰ কাম ভালকৈ চলিছিল, কিন্তু লাহে লাহে নচলা হৈ আহিল। এডেম চাহাবে শেহত বিফল মনোৰথ হৈ কাম এৰি দিলে,। ৰামমোহন ৰায়ে ইয়াৰপৰা বুজিলে যে স্বদেশী ভাষাৰে, স্বদেশী লোকেৰে, স্বদেশী শাস্ত্ৰৰ ওপৰত থিয় হৈ একেশ্বৰবাদ প্ৰচাৰ নকৰিলে কৃতকাৰ্য্য হোৱা নাযায়। ইয়াকে থিৰ কৰি তেওঁ ১৮২৮ খৃষ্টাব্দত স্বদেশীয়সকলক লৈ ব্ৰাহ্মসমাজৰ আদিমতম ভিত্তি ব্ৰহ্মসভা প্ৰথম প্ৰতিষ্ঠা কৰিলে।

ৰামমোহন ৰায় বিলাতলৈ যোৱাৰ আৰু তাত তেওঁৰ মৃত্যু হোৱাৰ পিছৰেপৰা ব্ৰাহ্মসমাজৰ অৱস্থা দুৰ্ব্বল হৈ আহিল। কিন্তু ১৮৪২ খৃষ্টাব্দত দ্বাৰকানাথ ঠাকুৰৰ বৰপুতেক দেবেন্দ্ৰনাথ ঠাকুৰে ইয়াত যোগ দি ইয়াৰ উন্নতিৰ নিমিত্তে কায়বাক্য-মনেৰে লগাত ব্ৰাহ্মসমাজ প্ৰদীপ্ত হৈ উন্নতিৰ পথৰ পথিক হৈ পৰিল, আৰু অলপ কালৰ ভিতৰতে বঙ্গদেশত প্ৰবল শক্তিশালী উন্নত ধৰ্ম্মসম্প্ৰদায়ৰূপে পৰিগণিত হল। বাস্তৱিক পক্ষত ব্ৰাহ্মধৰ্ম্মৰ যি গছালিটি ৰামমোহন ৰায়ে ৰুই গৈছিল, দেবেন্দ্ৰনাথৰ অশেষ যত্নত সি প্ৰকাণ্ড বৰগছ হৈ পৰিল। আসামত শ্ৰীশঙ্কৰদেৱৰ প্ৰচাৰিত একেশ্বৰবাদ একশৰণীয়া বৈষ্ণৱধৰ্ম্মই যেনেকৈ শ্ৰীমাধৱদেৱৰ হাতত সৰ্ব্বতোভাৱে বৰ্দ্ধিত হৈ এক প্ৰকাণ্ড আকাৰ ধাৰণ কৰিছিল, ৰামমোহন ৰায়ৰ এই একেশ্বৰবাদ উপনিষদৰ ধৰ্ম্মইও মহৰ্ষি দেবেন্দ্ৰনাথৰ যত্নত বৃদ্ধিপ্ৰাপ্ত হৈ চাৰিউফালে তাৰ শাখা বিস্তাৰ কৰিলে। বাস্তৱিকতে ব্ৰাহ্মধৰ্ম্মৰ বেদস্বৰূপ গ্ৰন্থ “ব্ৰাহ্মধৰ্ম্ম” গ্ৰন্থ আৰু তাৰ “ব্যাখ্যান,” উপাসনাৰ প্ৰণালী, সঙ্গীত, উৎসৱ, প্ৰচাৰ ইত্যাদি এশ-এটা কাৰ্য্য মহৰ্ষি দেবেন্দ্ৰনাথৰ একাগ্ৰ তপস্যা আৰু যত্নৰ ফল। তাৰ নিমিত্তে তেওঁ কায়িক পৰিশ্ৰম, গভীৰ চিন্তা, মুক্তহস্তে অৰ্থদান অত্যাশ্চৰ্য্যৰকমে কৰিছিল, নতুবা ৰামমোহনৰ সেই ধৰ্ম্মৰ অঙ্কুৰ ৰামমোহনৰ তিৰোভাৱৰ লগে লগে ভাৰতৰ-



পৰা অন্তৰ্দ্ধান হলহেঁতেন; আৰু ফলত ভাৰতৰ পাশ্চাত্য শিক্ষাত শিক্ষিত সম্প্ৰদায়ৰ দুৰ্ভাগ্যৰ সীমা নাথাকিলহেঁতেন। হেজাৰ হেজাৰ, কুসংস্কাৰ বিৰহিতবুলি অভিমান কৰোঁতা শিক্ষিত ভাৰতবাসী খৃষ্টানধৰ্ম্মৰ আকৰ্ষণত খৃষ্টান হৈ পৰিলহেঁতেন, অথবা পুৰণি হিন্দুধৰ্ম্মৰ বান্ধোনৰপৰা মুকলি হৈ, অথচ নতুন কোনো ধৰ্ম্মৰ বান্ধোনত নপৰি অধোগতি প্ৰাপ্ত হলহেঁতেন। মহাত্মা ৰামমোহন আৰু মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰে যে ইংৰাজী শিক্ষিত ভাৰতবাসীক সেই বিপদৰ সময়ত কি ৰক্ষা কৰিলে, এই কথা ভাবিলে সকলো ভাৰতবাসীৰ কৃতজ্ঞ মস্তক তেওঁলোকৰ ফালে স্বতঃ দোঁৱাৰ। নিজৰ পুৰণি বেদ-বেদান্ততে যে মূৰ্ত্তিপূজা ( idolatory ) বিৰহিত একেশ্বৰবাদ আছিল, যি একেশ্বৰবাদ পাশ্চাত্য একেশ্বৰবাদতকৈ কোনো গুণত নীহ নহয়, বৰং কোনো কোনো বিষয়ত শ্ৰেষ্ঠ, এই সত্য ৰামমোহন আৰু দেবেন্দ্ৰনাথে সকলোকে স্পষ্টকৈ দেখুৱাই দি পুনৰ গ্ৰহণ কৰিবলৈ কৈ, শিক্ষিত ভাৰতবাসীৰ অন্তৰত বল, আৰু মনত অসীম সাহস দান কৰি, তেওঁলোকক আধ্যাত্মিক বিনাশৰপৰা ৰক্ষা কৰি, সজীৱ সুস্থ সবল মনুষ্যত্ব দান কৰি ধন্য কৰিলে। এই দুই মহাত্মাৰ যত্নতে ভাৰতবাসীয়ে পাশ্চাত্যধৰ্ম্মৰ প্ৰবল আক্ৰমণৰ হেঁচা প্ৰথমতে প্ৰতিৰোধ কৰি থিয় হৈ, এতিয়া পূৰ্ব্বপুৰুষসকলৰ সনাতন ধৰ্ম্মৰ অমূল্য তত্ত্ববোৰৰ ধীৰে সুস্থিৰে আলোচনা কৰি, তেওঁলোকৰ আধ্যাত্মিক উন্নতিৰ জখলাত লাহে লাহে আকৌ উঠি যাবলৈ যে সমৰ্থ হৈছে, সেইটো নিশ্চয়। ঈশ্বৰে ভাৰতবাসীক এনে বিপদৰপৰা ৰক্ষা কৰিবলৈকে, আৰু সনাতন ধৰ্ম্মৰ গ্লানি গুচাই পবিত্ৰ ধৰ্ম্ম সংৰক্ষণ কৰিবলৈকে তেওঁৰ অংশ অৱতাৰ ৰামমোহন ৰায় আৰু দেবেন্দ্ৰনাথ ঠাকুৰক সেই সময়ত ভাৰতলৈ পঠিয়াই, তেওঁৰ গীতাত প্ৰতিশ্ৰুত বাক্য ৰক্ষা কৰিছিল।

ৰামমোহন ৰায়ে আদি সমাজক যি মূলমন্ত্ৰৰ ওপৰত প্ৰতিষ্ঠিত কৰিছিল আৰু মহৰ্ষি দেবেন্দ্ৰনাথে যি মূলমন্ত্ৰৰ ওপৰত থিয় হৈ আদি সমাজৰ কাৰ্য্যক্ষেত্ৰৰ সুবিস্তৃত পথ উন্মুক্ত কৰি দিছিল, আৰু তেওঁলোক দুয়ো নিজৰ জীৱনত যি মূলমন্ত্ৰকে আশ্ৰয় কৰি ধৰ্ম্মপ্ৰচাৰ কাৰ্য্যত অৱতীৰ্ণ হৈছিল, সেই মূলমন্ত্ৰৰ ভেটি অতি উদাৰ। মহৰ্ষি দেবেন্দ্ৰনাথৰ জ্যেষ্ঠপুত্ৰ ভক্তিভাজন দ্বিজেন্দ্ৰনাথ ঠাকুৰে তেওঁৰ এটা বক্তৃতাত সেই কথা যি কৈছিল, তাক এই খিনিতে তেওঁৰ ভাষাতেই তুলি দিও,—“ব্ৰাহ্মধৰ্ম্মের প্ৰকৃত মন্তব্য কথা এই যে, যে জাতিৰ যেৰূপ জাতীয় প্ৰথা তাহা সেইৰূপ

থাকুক, যে কুলেৰ যেৰূপ কৌলিক প্ৰথা তাহা সেইৰূপ থাকুক, তাহাৰ প্ৰতি হস্তক্ষেপ কৰিবাৰ কোন প্ৰয়োজন নাই; কেবল সেইসকল প্ৰচলিত অনুষ্ঠানেৰ মধ্য হইতে পৰিমিত দেৱতাগণেৰ উপাসনা সমূলে উঠিয়া গিয়া তাহাৰ স্থলে বিশুদ্ধ ব্ৰহ্মোপাসনা অধিকৃত হউক, তাহা হইলেই ব্ৰহ্মোপাসক ভক্তজনগণেৰ বিশুদ্ধ ধৰ্ম্মব্ৰত অব্যাহত থাকিবে।" ৰামমোহন ৰায়ে কৈছিল "শাস্ত্ৰানুসাৰে আহাৰ ও ব্যৱহাৰ নিষ্পন্ন কৰা উচিত হয়। অতএব যে যে শাস্ত্ৰপ্ৰচলিত আছে তাহাৰ কোন এক শাস্ত্ৰকে অবলম্বন না কৰিয়া ইচ্ছামতে আহাৰ ব্যৱহাৰ যে কৰে তাহাকে স্বেচ্ছাচাৰী কহা যায়, আৰ স্বেচ্ছাচাৰী হওয়া শাস্ত্ৰত ও যুক্তিত উভয়-থাবিৰুদ্ধ হয়।"

মহৰ্ষি দেৱেন্দ্ৰনাথৰো মত আছিল যে, ব্ৰহ্মজ্ঞান প্ৰচাৰ আৰু সকলো কামত ব্ৰহ্মোপাসনা প্ৰতিষ্ঠিত কৰাকেই ব্ৰাহ্ম-সমাজৰ কেন্দ্ৰ বা মূলমন্ত্ৰ কৰ উচিত। সেই মূলমন্ত্ৰ সাধনৰ নিমিত্তে সমাজ প্ৰভৃতি সংস্কাৰ কৰা আৱশ্যক হলে, তাক কৰিব লাগিব, কিন্তু সেইবোৰ সংস্কাৰ স্থান আৰু কালৰ উপযোগী ভাৱে কৰিব লাগিব। পৰমাত্মাৰে সৈতে প্ৰত্যক্ষ সংযোগ স্থাপনাত আত্মাৰ স্বাধীনতা ৰক্ষা কৰিবই লাগিব, এই স্বাধীনতা ৰক্ষাৰ প্ৰতিকূল ব্যৱধান দূৰ কৰিবলৈ কোনো বিধিনিকে বিধিনি বুলি ভবা উচিত নহয়। কিন্তু জাতিভেদ পৰিত্যাগ প্ৰভৃতি যিবোৰ বিষয় থাকিলে পৰমাত্মাৰে সৈতে মানবাত্মাৰ প্ৰত্যক্ষ যোগ বিচ্ছিন্ন হবৰ সম্ভৱ নাই সেইবোৰ বিষয়ত নিৰপেক্ষ দৃষ্টিৰে সৈতে স্থান, কাল আৰু অৱস্থা চাই চলিব লাগিব। এইবোৰ বিষয়ত আদি সমাজৰ মতে, যিমান দূৰ সম্ভৱ ঐতিহাসিক ধাৰা ( tradition ) উৎপাটিত কৰি স্বতন্ত্ৰ সম্প্ৰদায়ত আবদ্ধ হোৱা উচিত নহয়। কিন্তু যি স্থলত ঐতিহাসিক ধাৰা উক্ত প্ৰত্যক্ষ যোগৰ ব্যৱধানস্বৰূপ হব তাত আদি সমাজে সেই ধাৰা বিচ্ছিন্ন কৰিবলৈ বিন্দুমাত্ৰও দ্বিধা বোধ নকৰে।" মূৰ্ত্তিপূজাৰ ব্যৱস্থা থাকিলে আৰু বেদক অপৌৰুষেয় আৰু অভ্ৰান্ত বুলি স্বীকাৰ কৰিলে আদি সমাজৰ মতে পৰমাত্মাৰে সৈতে আত্মাৰ প্ৰত্যক্ষ যোগৰ ব্যৱধান ঘটিব পাৰে বুলি বিবেচিত হলত, আদি সমাজৰ অনুষ্ঠানক অপৌত্তলিক কৰিবলৈ, আৰু বেদক অপৌৰুষেয় আৰু অভ্ৰান্ত বুলি অস্বীকাৰ কৰিবলৈ আদিসমাজ কুণ্ঠিত নহল। জাতিভেদ আৰু উপবীত ত্যাগ উক্ত যোগৰ ব্যৱধান নহয় দেখি সেই দুটা সামাজিক ৰীতি আদি সমাজে নেৰিলে, বৰং তেনে নকৰিলে হিন্দুসমাজৰ tradition-অৰপৰা অৰ্থাৎ



ঐতিহাসিক ধাৰাৰপৰা আদি-সমাজ বিচ্ছিন্ন হব বুলি ভাবিলে। দেৱেন্দ্ৰনাথ ঠাকুৰে এই মতৰ সমীচীনতা বুজিছিল; কিন্তু কেশৱচন্দ্ৰকে আদি কৰি ব্ৰহ্মোপাসক-সকলে বুজিব নোৱাৰি সেইবাবে আদি-সমাজৰপৰা ফাটি গৈ নতুনকৈ ব্ৰাহ্ম-সমাজ পাতিলে। ফলত, তেওঁলোকৰ ব্ৰাহ্ম-সমাজ হিন্দু সমাজৰপৰা একেবাৰেই স্বকীয়া হৈ পৰিল আৰু তাৰ লক্ষণ আৰু প্ৰকৃতি বিদেশী আকাৰৰ হৈ পৰিল। সেই নিমিত্তে তেওঁলোকৰ দুইখন সমাজেৰে সৈতে হিন্দুৰ সম্বন্ধ আৰু সহানুভূতি গুচিল। উপনিষদৰ কালৰপৰা হিন্দুধৰ্ম্ম সংস্কাৰকৰ লক্ষণ আৰু মূলমন্ত্ৰ—অৰ্থাৎ হিন্দু-সমাজৰ ভিতৰত থাকি তাৰ উন্নতি কৰা—এই দুই সমাজে এৰি বাহিৰত পৰিল দেখি তাৰ দ্বাৰাই হিন্দুধৰ্ম্ম হিন্দু-সমাজৰ উন্নতি অৱনতিৰ সম্পৰ্ক ৰহিত হল, আৰু তেওঁলোকৰ ব্ৰাহ্মধৰ্ম্ম হিন্দুৰ পক্ষে বিদেশী খৃষ্টান বা আন কোনো ধৰ্ম্মৰ দৰে হল। কিন্তু ৰাম-মোহন আৰু দেৱেন্দ্ৰনাথে প্ৰাণপণে সেই মূলমন্ত্ৰ ৰক্ষা কৰিছিল দেখি তেওঁলোকৰ সমাজ প্ৰকৃতপক্ষে এতিয়াও হিন্দু-সমাজৰ অঙ্গীভূত হৈ আছে আৰু থাকিব;—যদিও আন দুই সমাজৰ ব্ৰাহ্মধৰ্ম্ম আৰু ব্ৰাহ্মসকলক দেখি, ওপৰে ওপৰে গৈ অনেকে ভুল কৰি আদি-সমাজকো তেওঁলোকৰ শাৰীত পেলায়। হিন্দুধৰ্ম্মৰ বিপক্ষে আদি সমাজৰ যি প্ৰতিবাদ যি বিদ্ৰোহ তেনে বিদ্ৰোহ গীতাৰ দিনৰেপৰা সৰহভাগ সংস্কাৰকৰ দ্বাৰাই হবই লাগিছে, তথাপি সেই সংস্কাৰকসকলৰ প্ৰতিস্থাপিত নতুন ধৰ্ম্ম হিন্দুৰ সীমাৰ বাহিৰত পৰা নাই। ইয়াৰ কাৰণ, তেওঁলোকে কাৰ্য্যত যিহকে কৰক, অন্ততঃ মুখেৰে বেদৰ সম্মান আৰু বেদৰ ভেটিটো নেৰা। আমাৰ বিশ্বাস, আদিসমাজ আৰু বেছিকৈ হিন্দুৰ ভিতৰুৱা হৈ সৰ্ব্বজনস্বীকৃত হৈ থাকিলহেঁতেন, যদি কেশৱচন্দ্ৰ সেন প্ৰভৃতিৰ প্ৰভাৱে আদিসমাজক প্ৰথম ডোখৰত নেপালে-হেঁতেন। যি হওক, বিদেশী ধৰ্ম্মৰ প্ৰবল আঘাত সহিবপৰা কৰি প্ৰাচীন আৰু নবীন হিন্দুৰ একে ঠাইতে ধৰ্ম্মপিপাসা মিটাই নতুন ভাৰতীয় জাতি সংগঠন কৰিবৰ নিমিত্তে ঈশ্বৰে এই সমাজক যি বাটেদি চলাইছিল, সি নিশ্চয় শুভ। এইটো নিশ্চয় যে ৰামমোহন আৰু দেৱেন্দ্ৰনাথৰ ধৰ্ম্মসমাজে মহাবীৰৰ নিচিনাকৈ, হিন্দু-সমাজত বিপ্লৱ সংঘটনকাৰী বিদেশী আক্ৰমণৰ হেঁচা মূৰ পাতি ধৰি হিন্দু-সমাজক ৰক্ষা কৰি হিন্দু-সমাজৰ যি মহৎ উপকাৰ কৰিলে, সেই উপকাৰৰ ধাৰ হিন্দু-সমাজে কেতিয়াও শুজিব নোৱাৰে। আমাৰ দৃঢ় বিশ্বাস, হিন্দু-সমাজৰ ভিতৰুৱা যিসকলে এতিয়াও এই সমাজৰ প্ৰচাৰিত ধৰ্ম্মক নিজ ধৰ্ম্মৰে এক অঙ্গ,

আৰু এই সমাজ মতে চলোঁতাসকলক নিজৰে হিন্দুসমাজৰ এক সম্প্ৰদায় বুলি চিনাত পলম কৰিছে, সেইসকলৰ ভ্ৰম জ্ঞানৰ পৰিসৰ বঢ়াৰ লগে লগে অচিৰতে দূৰ হব।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

# দিল্লীত দিনদিয়েক।

## (২)

হাওৰা আৰু কলিকতাত দুদিন থকা হল। তৃতীয় দিনা ৰাতি খাইবৈ উঠি ষ্টেছনলৈ ওলালোঁ। বাট চমু, ঘোৰাগাড়ী বেগাই চলাইছিল। সাউতকৰে ষ্টেছন পালোঁগৈ।

হাওৰা ষ্টেছনটো ৰাকুটোৱেই। চিয়ালদহ ষ্টেছনতকৈও চৰা। ঘৰ অতি প্ৰকাণ্ড, অসংখ্য বিজুলীবাতি। যাত্ৰীৰ উবা-ডুবা, কুলীৰ উপপ্থপ্। মানুহ হেজাৰ বিজাৰ। দেশী, বিদেশী, ডাঙৰ, সৰু, মতা, মাইকী; কতৰ বসন-ভূষণ একে, কতৰ আকৌ সম্পূৰ্ণ বেলেগ। মই মনতে ভাবিলোঁ অত প্ৰজা! আসামৰ এচুকৰ গাঁৱঁৰপৰা ইমান মানুহৰ চিত্ৰ-বিচিত্ৰ দেহ-ৰূপ কল্পনা কৰিবলৈকে টান। আমাৰ বিয়া, ৰৰসবাহৰ মানুহৰ লগত বিজ্ঞাৰ নোৱাৰি, ভাবনা আৰু দেওবৰীয়া হাটতো ইমান প্ৰজা নহয়। অতি জনতাত নিজক অনেক বিষয়ত বিজাই চাব পাৰি।

অনবৰেল বকৰা আগ হল। কুলীয়ে মালবস্তু নিলে, "চাপৰাচী" লগতে লাগি গল। আফিচৰজনে বাকী আহিলাপাতিখিনি জোখালে। বাখি পোৱা কুলীটোৱে আটাইখিনি মাল নিব নোৱাৰিলে, তাৰ লগত তেওঁ গল। অৱশেষ মই ৰখীয়া হলোঁ। আগেয়ে মাল লৈ যোৱা কুলী ঘূৰি অহালৈ মই অপেক্ষা কৰি আছোঁ। পাছত আৰু কুলী ধৰি যাবলৈকো লেঠা। অন্য কুলীয়ে পোনেই নি তেঁখেতসকলৰ ওচৰত উলিয়াব নোৱাৰিলে উভয় পক্ষৰ বিচৰাবিচৰি আৰু চিন্তা হোৱাৰ কথা। কুলী ওলালহি, মই হে ভাবিব লগা হলোঁ,— এইটো আমি বক্ৰবক্ত কৰা তিনটাৰ ভিতৰৰ হয়নে নহয়। সি বেছি সোধ-পোছ নকৰাকৈ মূৰত ট্ৰাংটো তুলি লোৱাত মোৰ সন্দেহ গুচিল। নিচিন্ত মনেৰে তাৰ পিছে পিছে



যাবলৈ ধৰিলোঁ। কুলীটোৰ লগ মই অলপকে নেৰিছিলোঁ। তাৰ গতিয়েই মোৰো গতি। তদুপৰি তাৰ চোলাত থকা নম্বৰটো মন কৰি ললোঁ। কিয়নো, অসংখ্য মানুহৰ মাজত কেনিবা সি অদৃশ্য হলে মই হে পেপুৱা খাম। আগ ভোথৰত সকলোৱে মুকলি পাই লৰাধপৰা কৰি হো-হো-কৰ জানিবা ভেটাহে ভাগিছিল, কিন্তু "প্লেটফৰ্ম্মত" প্ৰবেশ কৰিবলৈ দমক লৰ লগা হল।

তাত টিকত দৰ্শক আৰু ছুৰৰী তৈয়াৰ হৈ আছিল। মোৰ হাতত টিকত নাছিল বাবে চলন্ত গতিৰপৰা এদঁতীয়া হৈ ৰবলৈ বাধ্য হলোঁ। আমাৰ অফিচৰজন আহি টিকত দেখুৱালত হে যাব পাৰিলোঁ।

গাড়ী মানুহেৰে খুন্দখাইছে। দুই-চাৰিজন হে উঠিবলৈ বাকী আছিল। তেতিয়া ৰেল এৰিবলৈ সময়ো বেছি নাছিল। ওপৰ কেইটা শ্ৰেণীত যতেততে সুবিধা; লেঠা হয় তৃতীয় শ্ৰেণীত; ময়ো সেই লেঠাৰ হাত সাৰিব নোৱাৰিলোঁ। দ্বিতীয় শ্ৰেণী আৰু মধ্যম শ্ৰেণীৰ গাড়ী একে ঠাইতে লাগি পৰা। ভালেখিনি আঁতিৰতহে তৃতীয় শ্ৰেণী। ওচৰত সৰু কোঠা এটা আছিল। তাত মাল বস্তু 'চাপৰাচী' আৰু আন মানুহ ঠিহনি খাই আছিল। ৰেল যাওঁ যাওঁ হৈছে। এনে অৱস্থাত সুবিধাকৈ ঠাই লোৱা টান। গতিকে চাপৰাচী থকা কোঠাতে গেলেপাগেলেপিকৈ যাব লগা হল। তাত থকা আনখিনি মানুহ একেৱাৰে দিল্লীলৈ ওলাইছে। সেইবাবে সুবিধা হোৱাৰো আশা নাছিল।

আমাৰ কোঠাৰ মানুহ এটাক ৰেলৰ কৰ্ম্মচাৰী এজনে উলিয়াই দিলত মনত বৰ ভাল লাগিছিল। খন্তেকৰ পাছত তাৰে আন এজন কৰ্ম্মচাৰীয়ে তাক আকৌ তুলি দিলেহি। সেই কৰ্ম্মচাৰী দুজনৰ মাজত ভয়ানক তৰ্ক লাগিল। দুয়োৰো খং উঠিছিল। মুখৰ সেপ ছিগি গৈছিল। এজনে কলে "ইয়াত তোৰ একো এক্তিয়াৰ নাই, যা যা নিজাত ফকুনফকাৰি"। সেই ফিৰিঙী কৰ্ম্মচাৰী দুজনৰ ভাবভঙ্গীৰ কথা মই পাহৰা নাই। অন্তত পাছৰজনেই জয় হল। চাই থাকোঁতেই ৰেলও লৰিল।

সেই কোঠাটোত গৈ মই আহকাল পাইছিলোঁ। শোৱা দূৰত থক সুবিধা মতে বহিবলৈকে আচলতহে হৈছিল। মনত শান্তি নোহোৱা হল! ইংলণ্ডৰ ৰাজ-মন্ত্ৰী গ্লেডষ্টোন তৃতীয় শ্ৰেণীত গৈছিল। তেওঁৰ সম্মনীয়া বন্ধুৱে এই কথা বিষম ভাবি সোধাত তেওঁ চতুৰ্থ শ্ৰেণীটো নোহোৱাতহে দুখিত বুলি প্ৰত্যুত্তৰ দিছিল। সেই কথাটো মনত পৰাত বৰ উপকাৰ পালোঁ।

ৰাতিটোতে বহুত ষ্টেছন পাৰ হৈ গলোঁ। পুৱা বিহাৰ বিভাগত ওলালোঁগৈ। নতুন নতুন দৃশ্যবিলাক দেখি বৰ ভাল লাগিছিল। শস্যেৰে সুশোভিত মুকলি ঠাইৰ মাজেদি ৰেল গৈছিল। ভৰাডৰে ধপাতনি, গছবিলাক চুটি চাপৰ, বথলাবথলে য-ধান যেঁহধান। এইবিলাক দেখি আৰ্য্যবিলাকে হাবিকাটি হালবাই সোণ বৰণীয়া শস্যৰ খেতিকৰা কথা মনত পৰিছিল। কোনো ঠাইত চকুৰে দেখালৈকে আইৰ মাহৰ গছ। কেতবিলাক মাহগছ জুটুলা কিন্তু লোমালোমে টেঁই ধৰা দেখিছিলোঁ। বহুত এৰা গছো চকুত পৰি গৈছিল। যেনিয়ে-তেনিয়ে-শস্য বিলাক ভাগ-ভাগ। কোনো শস্যকে অবৰ্দ্ধিত কৰা নাই। শস্যৰ শ্ৰী আৰু তলি দেখিলে সন্তোষ লগা। তাত কৃষকে কিমান যতন লৈছে দেখিলেই বুজিব পাৰি। পাটনা অঞ্চলত খেতিৰ বিশেষ ধুমধাম যেন লাগিল। সৰহীয়াকৈ আকুগছ দেখাও তাতে প্ৰথম।

দিনত ঠাই সলোৱাৰ ভাব আছিল। দেখিলোঁ বহুত অসুবিধা; আমাৰ আসামৰ দৰে নহয়। অলপ অন্যায়কে কৰা হল। ঢাকঢুক কৰিলে কি হব, অলপ জুৱাচুৰি কৰা হল। তৃতীয় শ্ৰেণীত মোৰ পট্টা, ভোগ দখল হৈছিল মধ্যম শ্ৰেণীত। অৱশ্যে দায়ত পৰোঁ বুলিও পেটে ভয় আছিল। আমাৰ অফিচৰজনৰ লগ ললোঁ। তাত দুবৰ্ণিবটীয়া যাত্ৰী এজন মাথোন আছিল। তেওঁ কলিকতীয়া বঙ্গালী, এলাহাবাদৰ কলেজৰ ছাত্ৰ।

আৰা নামৰ ষ্টেছনটোত এজন পৃথুলস্তৰ পুৰুষ আমাৰ কোঠাত উঠিল। লগতো দুজন। এটি লৰা আনটো লগুৱা। তেওঁ হৃষ্টপুষ্ট আৰু গহীন গম্ভীৰ। আমাৰ অফিচৰজনেৰে দুই-চাৰি আমাৰ কথা পাতিছিল। আগেয়ে হিন্দীত, পাছত ইংৰাজীৰে। তেওঁক আস্তাজৰ ওপৰত জমিদাৰ নে কি বুলি সোধাত মুখত আনন্দৰ চিন দেখা গল। অলপ হাঁহি মাৰি গহীনকৈ মাত লগালে "মই জমিদাৰ বুলি কেনেকৈ জানিছা? বিশেষতঃ এতিয়া মই সামান্য সাজসজ্জাত আছিছোঁ। অন্তত তেওঁ সকলো ভাগ্নি-পাতি কলে। সেই লৰাটিয়েই একমাত্ৰ তেওঁৰ সন্তান। অনুমান ঠিকেই হল। বক্সাৰৰ জমিদাৰ ষ্টেছন পায়েই নামিল।

বক্সাৰত মই এটা নতুন বস্তু দেখা পালোঁ। নাম আগৰেপৰা জানো। শিয়ালে খাব নোৱাৰি টেঙা বুলি এৰি যোৱা আঙুৰগুটি দেখা মাত্ৰকে চিনি পালোঁ। বক্সাৰত আৰু দুটা কথা মনত পৰিছিল, হুমায়ুন শ্বেৰচাৰ হাতত ঘাটি সিংহাসন এৰি পলাই



গৈছিল। মোগল আৰু ইংৰাজৰ প্ৰথম আৰু শেষ এখন মাথোঁ যুদ্ধত চা আলাম সমূলি ঘাটিছিল।

মোগলচৰাই এটা প্ৰকাণ্ড জংচন। ইয়াৰপৰা কাশীলৈ যোৱা হয়। মোগল চৰাই হাওৰাৰপৰা ৫১৯ মাইল দূৰত অৱস্থিত। গাখীৰ, পুৰী, বিতোপন বগৰী, হৰেকৰকমৰ খোৱা বস্তু ওলাইছিল।

চুণাৰ ষ্টেছনৰপৰা পাহাৰবিলাক দেখি হুমায়ুনে ছুমাহ নেৰানেপেৰাকৈ লালি আক্ৰমণ কৰা চুণাৰ দুৰ্গৰ কথাৰ ভাব আহিছিল।

চাওঁতে চাওঁতে যাওঁতে যাওঁতে বিহাৰ উড়িষ্যা প্ৰদেশ শেষ হল। আগ্ৰা অযোধ্যাত চকু পৰিল।

অতীত গৌৰৱৰ চিৰপ্ৰসিদ্ধ যমুনানৈৰ ওখ দীঘল দলঙত ৰেল ধীৰে ধীৰে উঠিল। অনেক যাত্ৰীয়ে আকুল প্ৰাণেৰে ৰেলৰ দুৱাৰেদি স্ৰোতস্বিনী যমুনাক দৰ্শন কৰিলে। কোনোৱে উজনিলৈ কোনোৱে ভটীয়নিলৈ। আগে পিছে দেখা যাত্ৰীয়ে "ঐ যমুনাজী" বুলি চিনাকি দিছিল। কত দিন কল্পনা-চকুৰে চোৱা পুণ্যতোয়া তটিনীক হঠাৎ দেখি মুগ্ধ হলোঁ। ৰেল লাহে লাহে গৈছিল। এলাহাবাদৰ গৰৰ সুৰম্য দৃশ্যবিলাকো দুয়ো কাষে চকুত পৰি গল। এলাহাবাদতে গঙ্গা যমুনাৰ মিলন। সেইয়ে হিন্দুৰ তীৰ্থ স্থান প্ৰয়াগ।

এলাহাবাদ ষ্টেছনত গাড়ী ৰলগৈ। সিও কম বিধৰ জংচন নহয়। যাত্ৰীৰ ভয়ানক হুলস্থূল লাগিল। ইয়াত ৰেল ভালেমান পৰ ৰৈছিল। হৰেকৰকমৰ লাখুটি, বিছনী, পুতলা আদি বেচিবলৈ আনিছিল। প্ৰায় যাত্ৰীয়েই থাইবে লৈছিল। খোৱাৰ যোগাৰো যথেষ্ট। মনোনীত কৰি দাম দিলেই মাথোন হয়। সন্ধ্যা আৰম্ভ হল। ৰেলত চাকি জ্বলিল।

এলাহাবাদৰপৰা আকৌ পূৰ্ব্বৰ বসতিলৈ আহিলোঁ। কাণপুৰত মাথোন যাত্ৰীৰ গৰ্জ্জৰণিত সাৰ পাই কত কি হৈছে বুলি চাইছিলোঁ; খেহজালি দিয়া সময়ত আলিগড় পাইছিলোঁ।

পুৱা আকৌ উত্তৰ-পশ্চিম-প্ৰদেশৰ দৃশ্য চাবলৈ ধৰিলোঁ। দেখা যায় মানে ঠাই মুকলি। নানা প্ৰকাৰ শস্যেৰে পৰিপূৰ্ণ। কোনো কোনো ঠাই টকলা। মাটি-বিলাক খৰাং। ঠায়ে ঠায়ে একোটা দীঘলীয়া থাল পানীৰে চপচপীয়া হৈ আছে। সেই থালবিলাকৰ পানী আপুনি হোৱা নহয়। তাৰপৰা শস্যৰ গুৰিলৈ পানী নিয়ে। আমাৰ আসাম প্ৰকৃতিৰ কাম্য ভূমি বাৰেহে শস্যত সাৰ পানী নিদিয়াকৈ সাৰিব পাৰোঁ।

গৈ থাকোঁতে থাকোঁতে ৰেলৰ বেগ অলপ কমিল। আকৌ যমুনা নৈৰ দলং। যমুনা দুবাৰ পাৰ হোৱা হল। দিল্লীৰ পুৰণি দেৱাল দুৰ্গ চকুত পৰিল। অলপৰ পাছতে লাহে লাহে ৰেল ষ্টেছনৰ ভিতৰ সোমাল, হাওৰাৰপৰা দিল্লী ৯০৩ মাইল। যাত্ৰীৰ ভয়ানক ভিৰ, মালবস্তু লবলৈ জাকে জাকে কুলী। সিহঁত হৃষ্টপুষ্ট, ওখ ডাঙৰ মূৰত মখুৰা পাগ, ভৰিত নাগেৰা জোতা। ছটা এটাৰ হে ভৰি উদং। ঘোৰা গাড়ী হিঁচ্‌হিঁচ্, অহা আহিছে, যোৱা গৈছে, বোৱা বৈছে। আমি উঠা মাত্ৰকে ঘোৰ টকটক্ কৰে যাবলৈ ধৰিলে।

নতুন দিল্লীৰ "মেটকাফ হাউচ"ত গাড়ী ৰলগৈ। তাতে আমাৰ অনৰেবল বকৰা ডাঙৰীয়া থকাৰ বন্দবস্ত। ব্যৱস্থাপক সভাৰ অনাৰেবল মেম্বৰসকল প্ৰায় ভাগেই "মেটকাফ হাউচ" আৰু "কৰ্জন হাউচ"ত থাকে।

আমি ভিতৰ নোসোমাওঁতেই হৰ্‌হৰ্ কৰে বৰষুণ দিলে। লবালবিকৈ বস্তু বেহানিপিনি বাৰাণ্ডাত তোলা হল। বতৰ পুৱাৰেপৰা ডাৱৰীয়া আছিল। ফেৰ্ ফেৰ্ কৰে বতাহ মাৰিছিল। ফাগুন মাহ যদিও মই আমাৰ ইয়াৰ পুহমহীয়াতকৈ জাৰ বেছিহে অনুভৱ কৰিছিলোঁ।

সুখ সন্তোষত দুদিনমান থাকোঁতেই বিগিনি ওলাল। চাপৰাচীৰ বেমাৰ উপস্থিত। আগদিনা যহতহ, পাছদিনা লেচাৰেই হল। ডাক্তৰ আহিল। বেমাৰী ডাক্তৰখানাত থকাই সিদ্ধান্ত হল। কি বিপদ, পিছদিনা অনাৰেবল ৰায় বাহাদুৰ ডাঙৰীয়াৰো গা অসুখ, অফিচৰজনেও যেডেলিয়াবলৈ ধৰিলে। পানীলাগি গা জঞ্জালিত। কুহৰ কুহৰ কহা দেখি মোকো সাৱধান হৈ থাকিবলৈ কৈছিল। শকত-আবত ফচ্‌ফচীয়া বগৰী ভাল পাই মচ্‌মচ্ কৰে খোৱাৰ গুণ বুজি উঠিলোঁ।

অনৰেবল বকৰাৰ অসুস্থ অৱস্থা দেখি আমাৰো মনত অসুখ। আমি ইমান মস্কিলত পৰিলোঁ যে ডাক্তৰখানাত চাপৰাচীক চাবলৈকো যাব নোৱাৰিছিলোঁ। টেলিফোনেৰে ভু-ভাহে মাগোন যি লোৱা হল।

মই ফেব্ৰুৱাৰি মাহতে ঘূৰি আহি ঘৰ পোৱাৰ কথা আছিল। আগেয়ে ভাবিছিলোঁ কোনোমতে হে যদি দিল্লীত ৪।৫ দিন থাকিবলৈ পাওঁ। ইম্পিৰিয়েল কাউন্সিলৰ মৰ্ম্ম তাতহে অলপ বুজিছোঁগৈ। আমাৰ ইয়াৰ "আসাম এচেম্বিয়েচন" আদিৰ দৰে ২।৩ দিনতে কাৰ্য্য সামধা নহয়, সভা একে লেঠাৰিকৈও নবহে।

শ্ৰীভ্ৰমৰচন্দ্ৰ শইকীয়া।



# বৰ বোপা।

My sun one early morn did shine
With all triumphant splendour on my brow,
But out alack! He was but one hour mine;
The region cloud hath masked him for me now—
Sakespeare.

দেউতাৰ একমাত্ৰ লৰা মই। গতিকে মই বৰ আদৰৰ। মোক কোনোৱে বাখৰ কোনোৱে মাণিক ইত্যাদি নানান বহুমূলীয়া অলঙ্কাৰৰ আৰু ডাঙৰ গুণ বুজোৱা নামেৰে সম্বোধন কৰে; মাজু সক বুজিবলৈ নাই যদিও দেউতাই হলে বৰ বোপা বুলি উকা নামেৰে মাতে। সেই কাৰণে এই নামেৰেই মোৰ আত্ম-কাহিনী লেখিলোঁ। আমাৰ ঘৰত চাকৰ-নাকৰৰ আকাল নাই আৰু প্ৰকৃত কথা কবলৈ গলে তাহাঁতক লৈয়েইহে ঘৰখন। চাকৰ-নাকৰৰ কথা কোৱাতেই বুজা গৈছে যে আমালৈ লক্ষ্মী দেবী সুপ্ৰসন্ন। ডাঙৰ বিষয় এইয়েহে, এওঁৰে আমাৰ ঘৰৰ তিক্ততাবোৰেহে বাহি নাহে। আমাৰ ঘৰত তিক্ততাৰ সম্পৰ্ক নাই। ঘৰলৈ কোনো তিক্ততা আহিলেই এই জনা দেবীৰ মাহাত্মত তত নেপাই কাল দেৱৰ কোলাত লবালবিকৈ আশ্ৰয় লয়গৈ। বাই ভনী জনীচেৰেক আছে। আমাৰ ঘৰৰপৰা আঁতৰি থকাৰ কাৰণেই নে কি তেওঁলোকক এতিয়াও দেখা পাই থাকোঁ। লক্ষ্মীদেবীয়ে যেনেকৈ আমাৰ ঘৰৰ তিক্ততাবোৰেৰে সম্ভাৱ নাই সেইদৰে সৰস্বতী দেবীয়েও মোৰ লগত ভাল ভাব নাছিল। মই কোনো মতে শিৱসাগৰৰ হাইস্কুলৰ দ্বিতীয় শ্ৰেণীলৈকে পঢ়ি তাতে মোৰ ছাত্ৰ-জীৱনৰ সামৰণি মাৰিলোঁ। মোৰতো ভয় নাই; কিবা জানো কাম বিচাৰি মই পেট পুহিব লাগিব? দেউতা বগাজানৰ কছাৰিহাট মৌজাৰ মৌজাদাৰ, বজাৰ ঘৰত এজন খিতাপী মানুহ আৰু চাহ বাগিছাৰো মালিক। স্কুল এৰিয়েই চোনৰ দলং, তালাপ, বৰজুলী এনেকৈ ডাঙৰ ২।৩ খন বাগিছাত কিছুদিন কাম-কাজ কৰি নিজৰ কাৰবাৰত মই নিজে অধ্যক্ষ হলোঁ। এতিয়া মোৰ বঙলাত কত চিনা জনা ভাল মানুহে মোক দেখা পাবলৈ এপৰ দুপৰকৈ বঙলাৰ চোতালত থাপ লৈ থাকে; মোৰ লগত সাক্ষাৎ লাভ কৰিলে কতই নিজক ধন্য মানে। "বোপা দেউতা যে ডাঙৰ মানুহ হব তাৰ লক্ষণ দুপতীয়াতে বুজা গৈছিল। বাবৰ পোৱালি বাব

হব তাৰ আচৰিত কি ? "হজুৰৰ নিচিনা নো আসামত কেইজন আছে ? হজুৰ নো কোন পিনে শুদা – ধন বিত্ত নে, দেখা শুনাতে, নে বিদ্যা বুদ্ধিতে ? এই যে বিদ্যা জাহিৰ কৰি কুৰা নগৰৰ উকিল মুক্তিয়াৰ হাকিমখন দেখিছা হজুৰৰ আগত টিকিবকে নোৱাৰে নহয় ! জোৰৰ আগত বস্তিয়ে কি পোহৰ দিব ? হজুৰে ইচ্ছা কৰিলে তেনে উকিল-মুক্তিয়াৰ-হাকিমক জোৰে জোৰে কিনিব পাৰে।" এই দৰে কতই কত ৰকমে মোৰ আগত কয়। এইবোৰ শুনি মই অহঙ্কাৰত ওফন্দি গঙ্গা-টোপটো যেন হলোঁ। মই কাকো মানুহ বুলি গন্তিকে নকৰা হলোঁ।

আমাৰ ঘৰত তিকতাৰ সঁচ নাই। মই ডেকা। কোনো অভাৱ নাই। মই বিয়া কৰোৱাৰ নিতান্ত দৰ্কাৰ হল। মোৰ নিচিনা এজন অশেষ গুণসম্পন্ন ডেকালৈ সতকাই যোগ্য ছোৱালী বিচাৰি পোৱা টান হল। কত কতকৈ জানিবা দেউতাই তেজপুৰৰ এঘৰৰ এজনী ছোৱালী ঠিক কৰি বিয়াখন পাতিলে। আমাৰ ঘৰত শাওপাত আছেই। বছৰ চেৰেক লক্ষ্মীদেৱীৰ অনুগ্ৰহত ৰঙে-আনন্দে সুখে-সন্তোষে কটোৱা হল। কিন্তু কালে এই সুখ সহিব নোৱাৰিলে। তিনি বছৰ আমাৰ ঘৰত থাকি সৰলাই এদিন মোক চিৰকাললৈ এৰি গল। আমি ঘোৰ সংসাৰী মানুহ। মনৰ মিছা দুখে বেছি দিন আমাক চেপিব নোৱাৰিলে। যেতিয়াই মুঠিয়ে মুঠিয়ে টকা লোৰৰ পেৰাত ভৰাবলৈ ধৰিলোঁ সৰলাৰ নিচিনা এজনী ক্ষুদ্ৰ তিকতাৰ অনুপস্থিতি একেবাৰেই অনুভৱ নকৰা হলোঁ। আকৌ বিয়াৰ যো-যা হল। দেউতা বৰ practical মানুহ। সৰলাৰ ভনীয়েককে বিয়া কৰাই দিলে। আগেয়ে সম্বন্ধ কৰা ঠাইত পুনৰ সম্বন্ধ কৰিলে বৰ এটা খৰচ-পাতি নেলাগে।

মোৰ এতিয়া দ্বিতীয় সংসাৰ আৰম্ভ। দ্বিতীয় পৰিবাৰৰ নাম কমলাৱতী। নামটো যে অকল পুৰণি ধৰণৰ এনে নহয় তেওঁৰ অইন কথা-বতৰা আৰু গঢ়-গতিও কিবা এটা বেলেগ সাঁচত গঢ়া। সদায় গীতা, ভাগৱত আদি ধৰ্ম্মপুথি পঢ়া দেখোঁ। মোৰ বিদ্যা হাইস্কুলৰ ২য় শ্ৰেণীবহে এই কথা যেন পাঠক পাঠিকাসকলে নেপাহৰে। মই গীতা-ফিতা কি বুজোঁ ? মই জানোঁ "এচেঞ্চ" ঘঁহা, "ক্ৰীম" ঘঁহা, "বেছমী জেকেত, শাৰী পিন্ধা," চোকা গান্ধ তেলেৰে কেশ বিন্যাস কৰি মোৰ বিলাসিতাৰ তীব্ৰবেগে যোৱা নাৱত মোৰ সঙ্গিনী হোৱা কথা। গতিকে মোৰ অৰ্দ্ধাঙ্গিনীৰ ইমান ধৰ্ম্মভাৱ দেখি মই নিৰাশ হলোঁ। অতি ভক্তি চোৰৰ লক্ষণ বুলিও যে সন্দেহ নকৰাকৈ থকা নাই এনে নহয়। এই দৰে ভালে বেয়াই এবছৰ পাৰ হল। একে



দৰে চহকীতো আছোঁৱেই। মনত নানা দুৰ্দ্দমনীয় আকাঙ্ক্ষাই ঠাই ললে। অকল কমলাৱতীৰ নিচিনা এজনী ধৰ্ম্মভীৰু তিকতাই তেনে আকাঙ্ক্ষা কি পূৰ্ণ কৰিব পাৰিব ? "প্লেণ্টাৰ্চ হুৰ্চৰ"পৰা "ফৰ্ মাইচ" দি 'ক'ৰ্ হুইলাৰ' এখনকৈ নহয় দুখনকৈ অনালোঁ। ৰংপুৰলৈ অহা যোৱা মোৰ বেছি হল। মই ডেকালি তেজত হাফেলো হাফোলে প্ৰলোভনৰ বাটত আগুৱাবলৈ ধৰিলোঁ। গাত সম্পূৰ্ণ শক্তি বিৰাজমান, জেপ টকাৰে ভৰা ; মই কি কৰিব নোৱাৰোঁ ? বি-এ বা বি-এল নহলোঁৱেই বা, সেই অভাৱ টকাৰেই পুৰণ কৰিবলৈ কঁকালত টঙালি বান্ধি ওলালোঁ। ফলত মোৰ বৰটোকোলা বাগিছাৰ বঙলাত ভোজ, 'গাৰ্ডেন পাৰ্টি' আদি কত 'পাৰ্টি' হবলৈ ধৰিলে। কমলাৱতীয়ে এইবোৰত পোনপ্ৰথমে একো নেমাতিছিল আৰু যিমান পাৰে সহায় কৰিছিল। কিন্তু যি কৰে,কিয় কব নোৱাৰোঁ, মোৰ সন্তোষজনক নহয়। মোৰ মনতুষ্টি কৰিব নোৱৰা দেখি তেওঁ পিছলৈ ভোজ-ভাতৰ কাৰবাৰত নলগা হল। কাৰণ শুধিলে কয় "মোৰ গা ভাল নহয় ; বান্ধনীহঁতেই দিহা-পহা কৰি লব পৰা হৈছে।" ইয়াত মই মাত্ৰ বেছি বিৰক্ত হলোঁ। তেওঁক কেটেৰা-জেঙেৰা মাৰিবলৈ আৰম্ভ কৰিলোঁ। তেওঁ যিমানে মোৰ ৰং আনন্দৰ ব্যৱহাৰ বা উদ্-ভণ্ডালিৰপৰা আঁতৰি বা দক্ষ পৰি থাকিবলৈ যত্নৱতী হল সিমানে মোৰ বন্ধু-বান্ধৱৰ গমনাগমন বাঢ়িল। এই খিনিতে কোৱা উচিত, দুই এটা কথা চলিত সামাজিক নিয়মৰ ভিতৰৰ নহৈছিল। নহলেই জানিবা, সেই বুলি বৰটোকোলা হেন বাগি-চাৰ মেনেজাৰ চাহাব, অতুল সম্পত্তিৰ উত্তৰাধিকাৰী হবিনাথে কিবা পৰোৱাই কৰে নে কি ? ফলহতা নিয়ম-কাৰণ হৰিনাথৰ পাছে পাছে ফুৰিব, আগে আগে নহয়। কমলাৱতীয়ে এই আটাইবোৰ চাই থাকে, মই নানা বেয়া কথাৰে অবাৰত কৰ্কৰ্থনা কৰিলেও একো নেমাতে। মাত্ৰ ইয়াকে কয় "মই আপোনাৰ যোগ্য হব নোৱাৰিলোঁ এইয়ে মোৰ আন্তৰিক দুখ।" মই মহা পণ্ডিতে তাৰ অৰ্থ বুজিব নোৱাৰি কওঁ "মই অলপতে আৰু এজনী বিয়া কৰাব খুজিছোঁ। তেতিয়া তোমাৰ দুখ পাতলিব। এই খিনি বৰবাৰি কৰাতেই দুখ যেন ভাবিলা ?" এই কথা শুনি যাতে মোৰ ইচ্ছা সোনকালে কাৰ্য্যত পৰিণত কৰোঁ তাৰ নিমিত্তে মোক কাকুতি কৰিলে।

পূজাৰ ওচৰ চাপিছে। এইবাৰ ডিবুৰুত পূজা চাবলৈ লাগিব বুলি মনতে ঠিক কৰি কমলাৱতীক কলোঁ "তোমাক হাৰ-মান বান্ধি ডিব্ৰুকৈল নিব নোৱাৰোঁ।

ইয়াতে বৰ বধীয়া হৈ থাকিবা। পিছে মই যে আজি কিছু দিনৰ আগেয়ে এটা কথা কৈছিলোঁ তাৰ কি কৰিলা ?” তেওঁ এই কথাৰ একো উত্তৰ নিদিলে। মই বৰ অপমান বোধ কৰিলোঁ। ষষ্ঠীৰ দিনা ৰাতিপুৱাই যাত্রা কৰিম। তাৰ আগ দিনা আবেলি কমলাৰতীক আকৌ শুধিলোঁ “মই কোৱা মতে লেখিলা নে নাই ?” আৰু ইয়াকো জনালোঁ “তুমি সম্পূর্ণ বেমাৰী হলা। ঘৰৰ একো সহায় নোহোৱা হলা। এইবোৰ ভাবি চিন্তি আকৌ মই বিয়া কৰাটোকে শ্রেয়ঃ বিবেচনা কৰিলোঁ। ডিব্রুগড়লৈ উভতি আহোঁতেই বাটতে বোধ কৰোঁ বিয়া হব।” এই কথা অলপ চুপতি কৰা চলেৰেই কৈছিলোঁ। তেওঁ কিন্তু একো দ্বিধা নকৰি উত্তৰ দিলে “বাৰু যি ইচ্ছা কৰক। মোৰ কি শক্তি আছে আপোনাৰ কথাত হকা-বধা কৰিবলৈ। তিক্তাৰ কথা তিক্তাৰ দুখ কোনে বুজিব ?” কমলাৰ কথা মোৰ ইকাণে সোমাই সিকাণে ওলাই গল। পোন পোন উত্তৰ নিদিয়াত মোৰ খং হে উঠিল। কমলাৰতীক ঘৰ বধীয়া কৰি মই ডিব্রুগড়লৈ যাবলৈ বাগিত উঠি নাজিৰালৈ আহিলোঁ। ৰাতি ভিনিহিদেউৰ ঘৰত থাকি পুৱাই ৰেল ধৰিম এই বন্দবস্ত। কেহজালি দিয়াতে এখন গাড়ী হৰহৰাই অতি বেগেৰে আহি ভিনিহিদেউৰ ঘৰৰ পদুলিৰ আগতে ৰপ্‌কৈ ৰলহি। পোনচাতে এটা মানুহ নৰি আহি “বোপা দেউতা ! বোপা দেউতা ! সর্ব্বনাশ হল ! আইদেউ আৰু ইহ সংসাৰত নাই। ৰাতিয়েই বিহ খাই গোটেই ঘৰক কন্দুৱাই গুচি গল। কি দুখত নো আইদেউৱে এনে কৰিলে ঈশ্বৰেহে জানে” বুলি কৈয়েই হৰাওৰাৱে কান্দিবলৈ ধৰিলে। “কমলা তুমি মোতকৈ আগেয়ে যাত্রা কৰিলা ! পঞ্চমীতে দেবীৰ বিসর্জ্জন !” এই-কিটা কথা মোৰ মুখৰপৰা ওলোৱাৰ পাছত মই কি কৰিলোঁ কব নোৱাৰোঁ। পিছত জানিব পাৰিলোঁ তিন দিনলৈ মই এক ৰকম অচেতন অৱস্থাত আছিলোঁ আৰু সেই কিদিন থাকি থাকি হেনো একোটা এই বুলি চিঞৰ মাৰোঁ “তিক্তাৰ কথা তিক্তাৰ দুখ কোনে বুজিব ?”

* * *

মই অতি অজ্ঞান। মই ভাবোঁ কমলাই কি দুখত নো আত্মহত্যা কৰিলে ? এদিন তেওঁৰ হাতনি-পেৰাটো মেলি ভালকৈ চোৱাত এখন চিঠি পালোঁ। চিঠি-খন কমলাৰ হাতৰ; বাইদেৱেকলৈ লেখা। চিঠিখন এই দৰে লিখা :—

“নবনৰ বাইদেউ !



“আজি ভালেমান দিন আপোনালোকৰ কোনো চিঠি পত্র নেপাই বেয়া লাগি আছে। আপোনালোকলৈকো মই বহুত দিন লেখিব পৰা নাই। আপোনালোকে চাগৈ ভাবিছে মই গপতহে চিঠি দিয়া নাই। কি কাৰণে গপ হব বাইদেউ ? সুখত, সন্তোষত, ৰং-আনন্দত থাকিব পাৰিলে অৱশ্যে অহঙ্কাৰৰ দোষে ছুব পাৰে। পিছে, ইয়াৰ কোনটো নো মই ভোগ কৰিবলৈ পাইছোঁ ? টকা থাকিলেই বা, বেটী বন্দিয়ে আলপৈচান ধৰি ৰাণীৰ দৰে বহুৱাই জানিবা ৰাখিলেই, তাত জানো সুখ পায় ? গাৰ সুখে কি কৰিব মনত যদি ধনিষ্ঠা মানো ৰং নেপাকে ? বাইদেউ ! আপুনি সুধিব পাৰে তোৰ নো আকৌ দুখ কেনেকৈ হল ? কপালৰ দোষত, বাইদেউ ! কোনে কাক সুখ দিব পাৰে, কোনে কাক দুখ দিব পাৰে ? নিজৰ ভাগ্য গুণতেই সকলো হয়। বাইদেউ, আপুনি মোক কিয় লেখা-পঢ়া শিকাইছিল কব নোৱাৰোঁ। সেই শিক্ষাই মাত্র মোৰ দুখ দুগুণে বঢ়াইছে। যাক দেৱতুল্য জ্ঞান কৰি পূজা কৰিব লাগে, সেই জনৰ আচৰণ যদি পশুৰ দৰে হয় তেন্তে আপো-নাৰ ৰং আনন্দ আৰু কত থাকিল ? তাতে যদি আকৌ কোনো কথাকে কাণ নকৰি আপোনাৰ আগতে তেওঁ প্রলোভনৰ হাতত আত্ম-সমর্পণ কৰি ব্যভিচাৰ কৰে, আপোনাৰ আদৰ, তিক্তাই পাবলগীয়া সম্মান কত থাকিল ? এনে অপমান, এনে অত্যাচাৰ তিক্তাৰ ক্ষুদ্র দুর্ব্বল হিয়াই সহ্য কৰিব পাৰে নে ? এইবাৰ পূজাত ডিব্রুগড়লৈ যাব বোলে। ঘূৰি আহোঁতে হেনো এজনী লগত লৈ আহিব। আমাৰ আইটীক তেওঁলৈ বোলে বিয়া দিব লাগে আৰু এই কথা মোক সদায় কৈ থাকে। মই তাকে নেলেখাত কত কথা যে শুনিব লগীয়া হৈছে কি কম ? বাইদেউ মই তেওঁক দোষ নিদিওঁ বা দোষ দিবৰ মোৰ কি অধিকাৰ আছে ? মাত্র মই ইয়াকে কওঁ আপোনালোকে যেন আইটীক এনে ঠাইত দিব যত সুখে থাকিব পাৰে। ধন সম্পত্তি থাকিলেই সুখ হব এনে ধাৰণা যেন মনলৈ কেতিয়াও নানে। বাইদেউ, মোৰ এই কথা নেৰাখি নাথাকিব। মোৰ গা বৰ বেয়া। আৰু যে বেছি দিন জীয়াই থাকিম এনে আশা নাই। ককাইদেউহঁতক মোৰ সেৱা জনাব, নিজেও লব। মইনা দুটীক মোৰ চুমা দিব।

আপোনাৰ অভাগিনী,—

কমলা।”

চিঠিখন পঢ়ি সকলো বুজিলোঁ। তেতিয়াহে মোৰ জ্ঞান হৈছে, টকাৰ জোৰত যি ফিতাহী কৰিলোঁ তাৰ বাবে দেৱী তুল্যা এটী নাৰী-ৰত্ন অতি সুলভে পাই থিতাতে হেৰুৱালোঁ। এতিয়াহে বুজিব পাৰিছোঁ, নই বৰ মানুহ নহয়,ভটৰা গৰুহে। ধন থাকি শিক্ষা নেথাকিলে সি সকলো পক্ষে সৰ্ব্বনাশৰ মূল হয়; কেচুৱা লৰাই জুইৰে যেমালি কৰাৰ নিচিনা হয়। অকল টকাৰ সহায়েৰে প্ৰবৃত্তি চৰিতাৰ্থ কৰিব পাৰি, শাৰিৰিক সুখ পাব পাৰি; মনৰ উৎকৰ্ষ সাধন, আত্মোন্নতি একো নহয়। অন্তৰ জগত এখন বেলেগ ঠাই। তাত সোমাবলৈ হলে শিক্ষা আৰু জ্ঞানৰ বল লাগিব। মাত্ৰ অৰ্থৰ বলত যি বলীয়ান, শ্ৰেষ্ঠ বুলি ভাবে তাৰ সমান মূৰ্খ নাই। তেনে মানুহৰ ঠাই যে শিক্ষিতসকলৰ বহুত—বহুত তলত এই কথা অভিজ্ঞতাই মোক শতমুখে স্বীকাৰ কৰাবলৈ বাধ্য কৰিছে। শিক্ষাৰ জোৰ গুদা চিকাৰূপে যে কেতিয়াও কোনোকালে লৰ নোৱাৰে তাক মই চিঞৰি চিঞৰি কওঁ।

* * *

মাজ নিশা সাৰপালেই সদায়—

"তিকতাৰ কথা, তিকতাৰ দুখ কোনে বুজিব"

বুলি কোনোবাই ক্ষীণ কণ্ঠেৰে বিনাই বিনাই কন্দা যেন শুনোঁ। শুনি ভাবোঁ সিপুৰিত কমলাক লগ পালে তেওঁৰ ভটী ভৰিত ধৰি ক্ষমা খুজিম। সেইদিন কেতিয়া আহিব তাৰেইকেহে বাট চাই আছোঁ।

শ্ৰীস্নেহ।

* এই প্ৰবন্ধ লেখক প্ৰেমধৰ চলিহা আৰু ইহলোকত নাই, আজি এমাহমান হৈছে জোৰহাটত তেওঁৰ হঠাৎ মৃত্যু হল! এওঁৰ হাতৰ প্ৰবন্ধ বাঁহীত অনেক ওলাইছে। নিৰ, নিছিনি আদি সেই সুলিখিত মূল্যবান প্ৰবন্ধবোৰ এওঁৰে ৰচিত। সিঁচনা মাথোন প্ৰেমধৰৰ সৈতে আমাৰ দেখা হৈছিল। তেওঁৰ মৃত্যুৰ পাঁচ দিন মানৰ আগেতে হঠাতে এদিন তেওঁ বাতিপুৱা দুপ চুৰীয়া বৰদুৱতে আমাৰ আৰু এজন বন্ধুৰে সৈতে এধা-তিতা হৈ হাওৰ ত আমাৰ কাষত ওলাইছি; আমি তেওঁক দেখি অবাক হৈ যদিও বৰ সন্তোষ পালোঁ; কিন্তু সিমান বৰষুণত কিয় আহিল, বুলি তেওঁক সোধাত তেওঁ কলে "কাইলৈ মই উজতি আসামলৈ যাব লাগিব, সেইদেখি আজি আপোনাক দেখা নকৰিলে নেথাই নহয়।" আমাৰ ওপৰত চলিহাৰ ৰবৰ শ্ৰদ্ধা অনেক থকাটো আমি জানো, সেইদেখি তেওঁৰ কথাৰ মৰ্ম্ম ততালিকে বুজিলো। তেতিয়া আমি ভাবিব পাৰিছিলোঁ। নে যে এই দেখা এই বিদায়েই তেওঁৰে সৈতে আমাৰ শেষ দেখা শেষ বিদায় হব! প্ৰেমধৰৰ দ্বাৰা আমি অসমীয়া সাহিত্য বিষয়ে আৰু অনেক আশা কৰিছিলোঁ কিন্তু কালে তেওঁক এনে কম বয়সতে লৈ গৈ আশা ভঙ্গ কৰিলে! ঈশ্বৰৰ ইচ্ছা। তেওঁৰ সুযোগ্য মাননীয় পিতৃ অনৰেবোল শ্ৰীযুক্ত ফনিধৰ চলিহা ৰায় চাহাবক আৰু উঠি অহা সুযোগ্য ভ্ৰাতৃ উকিল শ্ৰীযুক্ত কুলধৰ চলিহা দোপাক কওঁ, যে "বৰমইনা" প্ৰেমধৰৰ বিয়োগত তেওঁলোকৰ অন্তৰৰ শোকেৰে সৈতে আমাৰ শোক বিজালে সি দেছি পিছপৰা নহয়।

সম্পাদক।



# বুটমাহৰ মালাই ভুনি খিচিৰি।

উপকৰণ।—বুটমাহ এপোৱা, চাউল আদসেৰ, ডাঙ্গৰ পিয়াজ দুটা, ঘিউ এপোৱা, লঙ্গ পাঁচোটা, গুজৰাটি এলাচি তিনটা, দালচিনি তিনি গিৰা, হালধি এগিৰা, লোণ এতোলা, কেঁচামৰিচ চাৰিটা, পানী ছসেৰ, নাৰিকলৰ ৰস এচটাক।

প্ৰণালী।—বুটমাহ ধুই এটা পাত্ৰত ৰাখা। চাউল ধুই মেলি থব লাগে। পিয়াজবিলাক দীঘলকৈ কুটিবা। হালধি বাটি থবা। নাৰিকলটো ভাঙ্গিব লাগে। পিছত এখন কাপোৰত এই বোকা নাৰিকল থৈ চেপিলে ৰস ওলাব। সেই ৰস বেলেগকৈ থৈ দিবা। শিটা আন কামৰ নিমিত্তে ৰাখিবা।

ছসেৰ পানী তপত হবলৈ জুইত বহাই দিবা। যেতিয়া পানী ফুটিবলৈ ধৰিব, তেতিয়া তিনি পোৱা আন্দাজ পানী সেই চৰুত ৰাখি, বাকী পানী বেলেগ এটা পাত্ৰত ঢালি থৈ দিবা। এতিয়া সেই তিনি পোৱা তপত পানীত বুট মাহ বহাই দিয়া। প্ৰায় আদ ঘণ্টাৰ পিছত মাহবিলাক সিজিলে, তাৰ পিছত চৰুটো নমাই থৈ মাহ আৰু পানী বেলেগ কৰিব লাগে।

এতিয়া ঘিউ বহাই দি, কুটা পিয়াজবিলাক মুচমুচীয়া কৰি ভাজি ঘিউৰপৰা তুলি ৰাখি, সেই ঘিউৰ ওপৰত লঙ্গ, গুজৰাটি এলাচি আৰু দালচিনি গোলাই দি ঘিউত ভাজিবা। পিছত তাত বটা হালধি আৰু লোণ দি তিনি চাৰিবাৰ হেতাৰে লৰাই তাৰ পিছত চাউল বহাই দিবা; আকৌ হেতাৰে লৰাবা। যেতি দেখিবা চাউল বগা চূণৰ নিচিনা হৈ ফট্ ফট্ কৰি ফুট ইফালে সিফালে উফৰি পৰিছে, তেতিয়া সিজা মাহবিলাক তাত ঢালি দিবা। হেতাৰে এবাৰ কি দুবাৰ লৰাই মাহে চাউলে মিহলি হলে আগৰ তপত পানী যি বেলেগ পাত্ৰত ঢালি থৈছিলা, এতিয়া তাত ঢালি দিয়া। চাউলৰ ওপৰত তিনি আঙ্গুলি পানী হব লাগে; সেইটো এডাল কাঠী লৈ তাৰে জুখি চাবা। পানী ফুটিলে কেঁচা মৰিচবিলাক এধা ফলাকৈ তাত পেলাবা। মিনিট পোন্ধৰ টগ্ বগ্ কৰি ফুটিলে নমাই চৰুটো নৰম জুইত বা কাঠৰ কয়লাৰ জুইত

বহাই দিবা। এই সময়তে নাৰিকলৰ বস ইয়াত ঢালি দিবা। খিচিৰি একেবাৰে বেছ জৰ্জৰীয়া ভাত হোৱা দেখিলে নমাই ৰাখিবা।

খিচিৰি এখন কাঁহীত ঢালি দি তাৰ ওপৰত ভজা পিয়াজবিলাক সিচি দিব লাগে।

বুটমাহৰ নিচিনা অন্য মাহৰ, যেনে মগুৰ, অৰহৰৰ খিচিৰি কৰিব পাৰি।

শ্ৰীপ্ৰজ্ঞাসুন্দৰী দেবী।

---

# ৰজাঘৰীয়া পুৰণি চিঠি।

( ৫ )

আমাৰ দেশৰ যিবোৰ মানুহ ভাগি গৈ কছাৰী ৰজাৰ দেশত সোমাইছিল গৈ সেইবোৰ মানুহক ওভোতাই দিবৰ নিমিত্তে আমাৰ ৰজাই কছাৰী ৰজালৈ অনেক বাৰ লিখাতো সিইঁতক ওভোতাই নিদিয়াত, কছাৰী আৰু আমাৰ মাজত এখন সৰু-সুৰা ৰণ লাগে; আমাৰ জয় হয় আৰু কছাৰী ৰজাৰ ফালৰ কিছুমান মানুহক আমাৰ ফৌজে বন্দী কৰি আনে। বন্দী কৰি অনা মানুহবিলাকক ওভোতাই দিবৰ নিমিত্তে কছাৰী ৰজাই আমাৰ বৰবৰুৱালৈ তলত লিখা চিঠিখন দিয়ে কিন্তু চিঠিখনৰ শেষ অংশ নষ্ট হোৱাত চিঠিখন সম্পূৰ্ণৰূপে ইয়াত প্ৰকাশ কৰিব পৰা নগল। চিঠিখন লিখা সময়ত কছাৰীৰ ৰজা কৃষ্ণনাৰায়ণ আছিল আৰু চিঠিখন কছাৰী ৰজাৰ কটকী চেনাথুন ডাঙ্গে আনিছিল।

"স্বস্তি শ্ৰীমন্নগেন্দ্ৰনন্দিনী চৰণাৰবিন্দদ্বন্দপৰিস্যন্দমকৰন্দধাৰপানানন্দিতান্তৰণ ষটবৰণামিত্ৰদ্বিৰদগণাধপ্ৰেৰণপঞ্চানন ভূবৃন্দাৰকাশীৰ্ব্বানভিন্নাদিকেতন শ্ৰীযুত বড়বৰুৱা সহৃদাৰ চৰিত্ৰেষু।"

"ভবৎ কাৰুণ্যাং সদৈক চিন্ত্যং তেনাস্মাত্ সামায়নং কুশলমাত্তেত্বাং পৰং"

"বিশেষ স্নেতাবান শ্ৰীস্বৰ্ণমতি যোগে আপনে যে পত্ৰী পাঠাইয়াছিলেন তাহা সবিশেষ জ্ঞাত হৈলাম। আপনে বৰমুৰীয়া গোহাঞী ও ভগনীয়াৰ বিষয় পত্ৰেতে লিখেন, যখন ৺ৰ দেশ বিভ্ৰাট কালে ৺ সন্ততি বোলি পৰিচয় দিলেন সত্যাসত্য



পৰিচয় নাপাই; তথাপি জীবিকাৰ সম্ভোগ কৰিয়া ৰাখি, তৎপশ্চাৎ জয়সিংহ ৺মণিপুৰেশ্বৰ যখন আপনাৰ দেশে গিয়াছিলেন উহান পুত্ৰ অনুপানন্দ যুবৰাজেৰ সঙ্গে মিলতা কৰি আছিল। সেই সম্বন্ধানুসাৰে পত্ৰ দিয়া তে নিলেন; অকস্মাৎ কেমতৰূপে যায়া এতদ্দেশীয় ও পুৰণিয়া ভকত ও সামান্য লোকৰ সঙ্গে কুমন্ত্ৰণা কৰিয়া ৺ক যুদ্ধ কৰিল; তাহা শুনি আমাদেৰ শ্ৰীফেৰ্গা থুংলাঙ্গকে উহাকে পাওৰী আনিতে পাঠাইলাম। একথা শুনি আমাৰ শ্ৰীফেৰ্গা থুংলঙ্গকে * * * "

এই চিঠিখনি যদিও সম্পূৰ্ণ নহয় তথাপি তাৰপৰা বুজিব পাৰি যে কৃষ্ণনাৰায়ণ ৰজাই যুদ্ধৰ বিষয়ে তেওঁ একো জনা নাছিল বুলি কব খোজে। বৰবৰুৱাই কিন্তু তেওঁৰ সেই কথা অলপো নপতিয়াইছিল। এই চিঠিৰ উত্তৰত বৰবৰুৱাই কছাৰী ৰজালৈ তলত দিয়া চিঠিখন পঠায়। এই চিঠি আমাৰ ৰাহৰীয়া কটকী ধীৰেশ্বৰে নিয়ে।

(৬)

"স্বস্তি শ্ৰীচতুৰ্ম্মুখপ্ৰমুখবৃন্দাৰকবৃন্দবন্দিত শ্ৰীমদীশ্বৰীচৰণমহোৎপলপৰাগৰাগী কৃতচিত্তমধুব্ৰত শ্ৰীশ্ৰীকৃষ্ণচন্দ্ৰ নৃপেষু"

"স্বস্তি শ্ৰীগোপালচৰণনখপূৰ্ণচন্দ্ৰিকাস্বাদচতুৰচিত্তচকোৰ সকলসদ্গুণাৰ্ণৱ ছুৱৰাবংশোত্তৰ শ্ৰীশ্ৰীবড়বৰুৱাখ্য মন্ত্ৰীপ্ৰবৰস্য পত্ৰ মিদং"

"বিৰাজত তৰাং পৰং "

"সমাচৰ এহি শ্ৰীচেনাথুনডাঙ্গৰ মাৰ্ফত আপনেৰ পত্ৰ পায়া সমাচাৰ জ্ঞাত হৈলাম; আৰ শ্ৰীশ্ৰী৺ৰ স্থানে পাল সেবাৰ হস্তী ঘোড়া সমেৎ যে পত্ৰ প্ৰেৰণ কৰিতেছিল শ্ৰীশ্ৰী৺ৰ চৰণাৰবিন্দেত শ্ৰীচেনাথুনডাঙ্গ সহিত সাক্ষাত কৰা গেল; সে সময়ে যে কথোপকথন হৈয়াছিল শ্ৰীচেনা থুনডাঙ্গৰ মুখ জবানে জ্ঞাত হৈবেন। আৰ পত্ৰতে লিখিয়াছিলেন বড়মুৰা গোহাঞী এবং ভগনীয়াৰ বিষয়; পহিলে এই সম্বাদ পত্ৰে লেখিআ ইখানেৰ শ্ৰীফেদেলা কটকীক সেখানে পাঠাইয়াছিলাম যে সময়ে আপনে পত্ৰ সমেত শ্ৰীফেলাই, শ্ৰীসাগৰ ফা, শ্ৰীফেদেলা কটকীৰ সঙ্গে পাঠাআ পত্ৰে ও মুখ জোবানিএও এমৎ বলি আছিল যখন ৺ৰ দেশ বিভ্ৰাট ছিল তখন বড়মুৰা গোহাঞী ইখানে আসিছিল; সত্যাসত্য পৰিচয় নাপাই জীবিকা সম্ভোগ কৰি ৰাখি আছিল; ইতিমধ্যে শ্ৰীমণিপুৰী ৰাজাৰ পুত্ৰ অনুপানন্দে মিত্ৰতা সম্বন্ধানুসাৰে লেখা দিয়া মণিপুৰে নিলেক; যদিচ্যাত পুনৰ খাচপুৰে আসে তবে ধৰিয়া দিয়া যাব; এইৰূপ পত্ৰেও মুখ জেবানেও কহি আছিল; সম্প্ৰতি সেৰূপ বাক্য ছাড়া হৈয়া

পত্রে লেখি আছেন বড়মুৰা গোহাঞী মণিপুৰ হৈতে আসিয়া এতদ্দেশীয় পুৰণীয়াভকত সামান্য লোকেৰ সঙ্গে কুমন্ত্রণা কৰিয়া ৮কে যুদ্ধ কৰিল ; তা শুনি আমাদেৰ শ্রীফের্গা খুম্ ডাঙ্গকে উহাকে পাকুৰি আনাইতে পাঠাইলাম ; এ কথা শুনি ফের্গা খুমডাঙ্গকে অমর্য্যাদা কৰি নটুৱা লস্কৰ প্রভৃতি কতটিলোক কাটিলেন এবং ৰণে ভঙ্গ দিয়া আম্ভ পীড়িত হৈআ দেশান্তৰী হৈল ; এইৰূপ আত্মদোষ গুপ্ত কৰিয়া যে লেখি আছেন অনুপযুক্ত ; নটুৱা লস্কৰাদি যেমত কাটি আছে এবং বড়মুৰা পুত্র সমেত ৰণে ভঙ্গ দিয়া পলাই গৈ আছিল তাহা সমস্ত জানি আছি। সম্প্রতি আপনে পূর্ব্বে বাক্য বিস্মৰণ হৈয়া পিতাপুত্র সম্বন্ধ ৮ৰ ধর্ম্ম কবুল বিচ্ছেদ কৰিয়া দাসী সুত বড়মুৰাকে মোয়ামৰীয়া ভগনীয়া প্রজা এবং কাছাৰীসকলকে সম্মিলিত কৰায় আমাদেৰ ফৌজ সহিত যুদ্ধ কৰায়া ৮ৰ যত অন্যথা কার্য্য কৰি আছেন পত্রে লেখিতে পাৰিনা ; তত্রাচ পূর্ব্ব ধর্ম্ম কবুল পিতা পুত্র সম্বন্ধেত থাকিয়া আম্রা তাহাৰ প্রতিকাৰ কৰিবাৰ মনস্থ নাই ; অতএব পূর্ব্ব প্রীতি ধর্ম্ম কবুল ৰক্ষা কৰিবাৰ আপনেৰ মনযোগ আছে যেৰূপ পুত্র ভার্য্যা সহিত বড়মুৰা এবং ভগনীয়া প্রজা ও মোয়ামৰিয়া এ সকল শীঘ্রে পাৱা যাই তাহা কৰিবেন। যদিস্যাত এৰূপ বাক্যতে মনযোগ না কৰেন ৮৮এ যি কৰাৱে তাহা অবশ্য হৈবেক, নিশ্চয় বুজিবেক। আৰ কলিকত্তাৰ শ্রীযুক্ত বড়চাহাবেৰ পৰামর্শ কৰিলাই ভালমতে তদন্ত কৰি বুজিবেক। দৈবচক্র বলবন্ত বটে, ইহাতে কেও ৱাৰণা কৰিতে নাপাৰে এৰূপ যে বলি আছেন শৰীৰী মাত্রকে দৈবাধিন ; দৈৱে যাহাক যেহি কৰাৱে সেহিসে হয় ; ইহাতে মনুষ্যেৰ কর্ত্তৃবাতা নাই ; তথাচ ধর্ম্ম প্রবর্ত্তাজনক কদাচ ৮ধর্ম্ম ছাড়ে না ; আৰ এই দোষ গ্রহণ কৰ তবে পূর্ব্ব ৮৮ধর্ম্ম ক্ষেত্রেতে পিতা পুত্র সম্বন্ধ নিবন্ধ ৰক্ষা হৈল না ; অতএব ৮ৰ আমাদেৰ পিতৃ হৈল ; পিতৃতে পুত্রৰ যদি অপৰাধ হয় তথাপি পিতৃএ অপৰাধ ক্ষমা কৰিতে উপযুক্ত এৰূপ যে লেখি আছেন আম্রা সেৰূপ দোষ গ্রহণ কৰি নাই ; যদিস্যাত গ্রহণ কৰিত সেইক্ষণে তাহাৰ প্রতিকাৰ ৮৮ৰ কৃপাত যে হবে তাহা হৈত; অতএব যেৰূপ পূর্ব্ব প্রীতি ৰক্ষা পাই আপনে তাহা কৰণেসে উচিত। ইতি সন ১১২৭ তাৰিখ ১৪ চৈত্র।”

“সন্দেস—পাটৰ ধুতি ২ জোৰ, সোন খতা কটাৰী ২ খন, ৰূপখতা ২ খন।” ইত্যাদি অনেক বস্তু।

শ্রীহেমচন্দ্র গোস্বামী।

---



# বৰবৰুৱাৰ প্রত্নতত্ত্ব।

প্রিয়দর্শন। ডাঙৰীয়াই আজি নো মূৰ গুতি ইমানকৈ কি লেখিব লাগিছে ?

কৃপাবৰ। প্রত্নতত্ত্ব।

প্রিয়দর্শন। কি ?

কৃপাবৰ। “পেত্নীতত্ত্ব।”

প্রিয়দর্শন। কি ?

কৃপাবৰ। পত্নীতত্ত্ব

প্রিয়দর্শন। কি ?

কৃপাবৰ। প্রেততত্ত্ব।

প্রিয়দর্শন। মোৰ শুনিয়েই ভয় লাগিছে। ভূত-প্রেতৰ তত্ত্বত নো ডাঙৰীয়াৰ কেতিয়া মন বহিল ?

কৃপাবৰ। এতিয়া।

প্রিয়দর্শন। আজি কথা কৈ মই চল পোৱা নাই ডাঙৰীয়া। কি লেখিছে মোক ভাঙি কওকচোন ?

কৃপাবৰ। মই সেইটো বুজিছোঁ। প্রথমতে মই প্রত্নতত্ত্ব বুলিছিলোঁ, তাক তুমি নুবুজিলা সেইদেখি বঙ্গলা মাতেৰে “পেত্নীতত্ত্ব” বুলিলোঁ, তাকো নুবুজিলা। তোমালোকে এনেই তিৰুতাবোৰক শাড়ী পিন্ধাই নিজে শান্তীপুৰীয়া ধুতি পিন্ধি বঙ্গালী বাবুৰ ভাও দিয়া ; তোমালোক বঙ্গালীও হব নোৱাৰিলা, অসমীয়াবো চুপহিৰ পৰা সৰি মুনিয়া মাসৈতামোল হলা ! সেইদেখি পত্নীতত্ত্ব বুলিলোঁ, তাকো নুবুজিলা। পত্নীতত্ত্ব বুলিলে তোমালোকে বুজিব কথাই, কাৰণ সেইটো গবেষণাসাপেক্ষ ; তথাপি প্রত্নতত্ত্ব বুলি বাৰে বাৰে কোৱাহেঁতেন কিজানি বুজিলাহেঁতেন, কাৰণ প্রত্নতত্ত্বটো শুনি শুনি তোমালোকৰ অভ্যাস হৈছে। যি হওক, বাস্তবিকতে দুইটা একেই ;—যি প্রত্নতত্ত্ব, সেয়ে প্রেততত্ত্ব। যি বস্তু সম্প্রতি নাই, গত হৈছে, অর্থাৎ হৈ গল, সেই বস্তুৰ তত্ত্ব অর্থাৎ আঁতি-গুৰি বিচৰাকে তোমালোকে প্রত্নতত্ত্ব বোলা ; মই তাকে নুবুলি জানিবা প্রেততত্ত্ব বুলিছোঁ, এই ফেৰাই প্রভেদ ; মানে কিন্তু একেই ; মাথোন নামত মতভেদ। মানুহ মৰি প্রেত হয় ; বস্তু মৰিও “প্রত্ন” হয়,—অন্ততঃ প্রত্নতাত্ত্বিকৰ পক্ষে।

প্রিয়দর্শন। এতিয়া বুজিলোঁ। পিছে, কিনো প্রেততত্ত্ব বা প্রত্নতত্ত্ব লেখিছে ?

ববৰকৰা। আসামত ৰাধা।

প্ৰিয়দৰ্শন। কি?

ববৰকৰা। তুমি বঙ্গালী চোফাৰীতামোল নে, অসমীয়া বুঢ়াতামোল? নাইবা ছুইবো মাজৰ আগেয়ে কোৱা মুনিয়া মানৈ? মোৰ হলে আকৌ বৰ সন্দেহ হৈছে। বোলোঁ, অসমীয়া কথা তুমি সুবুজা নে কিহেঁ? তেন্তে বঙ্গালীকৈয়ে কওঁ শুনা— "আসামে শ্ৰীৰাধা।"

প্ৰিয়দৰ্শন। আসামত ৰাধাই কি কৰিলে?

ববৰকৰা। মওহ থালে।—আসামলৈ ৰাধা আহি অসমীয়াক বৰ-বিহৰ গুটি-বিৰহ আৰু বিচ্ছেদ শিকালে। আগৰ অসমীয়াই এইবোৰ একো নাজানিছিল। গিৰিয়েক ঘৈণীয়েকে হাল বাই, কটনাকাটি, বা কৰম কৰি, মাহ হলধি বাটি, এমুঠি ভাত থাই শুই থাকি, পুৱা আকৌ সেই বিধৰ বনকে কৰিবলৈ উঠি গৈছিল। অসমত আগৰ ডেকালৰা আৰু ডেকেৰী ছোৱালীয়ে আঁতৰৰপৰা চুলাৰ চুপতি বা তিনটা চকুৰ টিপ মাৰি ঘৰাঘৰি গৈছিল আৰু গল কথা গুচিছিল, কোনেও লেকেতীয়া-কৈ লাগি—ভাত নাই, পানী নাই, চকুত টোপনি নাই—প্ৰেমৰ আজোৰ-পিজোৰণ কৰি নাথাকিছিল। কিন্তু পিছত কানুৰ বৃন্দাবনীয়া বিৰহ আনি ওগাইহ কৰি আসামত মেলি দি অসমীয়া অসমীয়ানীক বলিয়া কৰিলে—সেই, সেই বিৰহ-বলিয়া ৰাধিকাই।

প্ৰিয়দৰ্শন। কেতিয়া?

ববৰকৰা। তাহানি।

প্ৰিয়দৰ্শন। যাওক, ববৰকৰা ডাঙৰীয়া, আপুনি আজি কথাবোৰ কিবা বেকা-বেকিকৈ কৰলৈ লাগিল; মোক ভালকৈ কওকচোন, কি লেখিছে? আসামলৈ নো কেতিয়া ৰাধা আহিছিল? ক'তো দেখোন একো প্ৰমাণ, কোনো উল্লেখ নাই।

ববৰকৰা। আছে; তোমালোকে নাজানা। মই অনেক পুথি ঘুটিছোঁ, আৰু তাৰ অনেক প্ৰমাণ পাইছোঁ। সম্প্ৰতি ছুখন পুৰণি সাঁচীপতীয়া পুথি পাইছোঁ, আৰু এখন পাওঁ পাওঁ হৈছোঁ,—গাভিনী হৈছে, জগিলেই পাম,—যত স্পষ্টকৈ লেখা আছে যে আমাৰ আসামলৈ—বোলোঁ এই মহাপীঠ কামাখ্যালৈ, বৃন্দাবন-বিলাসিনী ৰাই-বিনোদিনী শ্যাম-সোহাগিনী শ্ৰীমতী ৰাধিকাসুন্দৰী আহিছিল; আৰু আহি অনেক গুৰুতৰ কাৰ্য্য কৰি গল। তাৰে তত্ত্ব উদ্ঘাটন কৰি আজি মই এটা



প্ৰবন্ধ লেখিছোঁ; কলিকতাৰ "এচিয়াটিক চোচাইটিৰ" এক অধিবেশনত তাক পঢ়িম—নহলে অন্ততঃ বঙ্গালীৰ সাহিত্যপৰিষদ সভাত পঢ়িম। ৰাধা যে আসামলৈ আহিছিল, অনেক দিনৰ আগৰেপৰা মোৰ এইটো ধৰিব-ছুৰ নোৱৰা ভাব মনত খেলাই আছিল, এতিয়া পুৰণি পুথি কেইখন পাই সেইটো গজ্ গজীয়া দিলে। নহলে তুমি বাৰু চোৱাঁচোন, আসামত ইমানবোৰ ৰাধাৰ নামেৰে মানুহ কৰপৰা ওলালহি? কিবা বোলে নে,—ৰাধাকান্ত, ৰাধানাথ, ৰাধামাধৱ, ৰাধিকাৰাম, ৰাধিকাপ্ৰসাদ। অৱশ্যে ৰাধাৰ নামেৰে সমন্ধ লগা এটা ছটা নাম কৰবাৰপৰা পচোৱা বতাহৰ আগত উৰি আহি আসামত পৰিব পাৰে,তাৰ নিমিত্তে ৰাধা "জবাবদেহী" নহয় বুলি অৱশ্যে মই স্বীকাৰ কৰিবলৈ বাধ্য; কিন্তু পাচীয়ে পাচীয়ে এই দৰে ৰাধাৰ সমন্ধীয়া নাম ইয়াত ওলালহি কৰপৰা? ইয়াৰ নো কোনো নিগূঢ় কাৰণ, কোনো লুকাই থকা তথ্য, কোনো গুপ্ত তত্ত্ব নাইনে? নিশ্চয় আছে। গুহানিহিত সেই পুৰণিতত্ত্বকে উলিয়া-বৰ নিমিত্তেহে মই ইমান দিন ভাবি-চিন্তি পৰিশ্ৰম কৰিছিলোঁ; ঈশ্বৰক ধন্যবাদ যে সেই তত্ত্ব এতিয়া আৰু ওলাল। জানা প্ৰিয়দৰ্শন বোপা, সত্য কেতিয়াও লুকাই নাথাকে, সি এদিন নহয় এদিন ওলাই পৰেই। আৰু এটা কথা তোমালোকে মন কৰি চোৱা নাই যেন পাওঁ, ৰাধাৰ নামত আসামৰ নানা তীৰ্থস্থানত ইমান কুণ্ড অৰ্থাৎ পানীবোৱা খোৰবোৰ কেনেকৈ হল? যত ৰাধাকুণ্ড, তত ৰাধাকুণ্ড। পৰশুৰাম আসামলৈ অহাৰ সাক্ষী পৰশুকুণ্ডই দিব লাগিছে; নহাহেঁতেন সেই কুণ্ডই পৰশুৰামৰ নাম নলৈ এটা চিংকৌ বা অসমীয়া গাঁওবুঢ়া বা মণ্ডল এটাৰ নাম ললেহেঁতেন,—যেনে ধৰা, জগৰা-মণ্ডল-কুণ্ড। এইটো কথা কিবা বোলেনে এটা লৰাকো বুজাই নিদিলেও সি বুজিব। বুদ্ধদেৱ আসামলৈ অহা নাছিল, সেই দেখি তেওঁৰ নামেৰে আসামৰ কোনো মানুহৰ নাম নাই, আৰু কুণ্ড বা পুখুৰী, আন কি হোলা এটাও নাই। আৰু এটা প্ৰমাণ—গুৱাহাটীৰ বশিষ্ঠাশ্ৰমত পানীৰ তিনটা ধাৰা আছে; সন্ধ্যা, ললিতা আৰু কান্তা। ললিতা শ্ৰীৰাধাৰ প্ৰধান অষ্ট সখীৰ ভিতৰৰ এক সখী। ৰাধাৰ পিছে পিছে সম্ভৱতঃ উন্মাদিনী, পাগলিনী ৰাইক বিচাৰি ললিতাও আহিছিল, আৰু তেওঁ বশিষ্ঠাশ্ৰম পাই, ৰাইক নাপাই, তাতে বহি কান্দি তিনিধাৰা চকুৰ লো বোৱাই দিলে। তাৰে মাজৰ ধাৰাটো তেওঁৰ নামেৰেই বৈ গল আৰু আজিলৈকে একেৰাহে নেবানেপেৰাকৈ বৈয়েই আছে। বোলোঁ ৰাধাৰ সখীয়েকৰ বেজাৰৰ দৈৰ্ঘ্যটো দেখিলা? অৱশ্যে এইটো মোৰ অনুমান যে;

এতিয়াও ইয়াক সুধীজনৰ আগত প্ৰকাশ কৰিবৰ হোৱা নাই; আৰু অনুসন্ধান আৰু গবেষণা কৰি প্ৰকৃষ্ট প্ৰমাণেৰে সৈতেহে ইয়াক পিছত বিশদভাৱে প্ৰকাশ কৰা যাব বুলি সম্প্ৰতি মই থৈ দিছোঁ। আৰু এটা তত্ব মোৰ মনত খেলাইছে বোপা প্ৰিয়দৰ্শন ঐ!—আসামত "আধাৰ সত্ৰ" নামেৰে সত্ৰ এখন আছে। এইখনো খুব সম্ভৱ, ৰাধাই আসামত পতা সত্ৰ। "ৰাধা" অসমীয়া হোজা মানুহৰ মুখত পৰি "আধা" হৈছে। ভাষাতত্বৰ নিয়ম মতেও ই শুদ্ধ; কাৰণ সেই তত্বমতে "ৰ" ৰ ঠাইত "অ" বা "ল" নহৈ নাথাকে। চহা মানুহৰ বহুতে "ৰাস্তা"ক "আস্তা" বোলা অনেকে শুনিছে। "ৰলক (to go) শব্দ অসমীয়াৰ মুখত পৰি "ৰয়ক" হোৱা কথা কোনে নাজানে? "ৰংপুৰক" "অংপুৰ" বোলোঁতা এতিয়াও অনেক লোক আছে। এতেকে "ৰাধাৰ সত্ৰ"ক যে "আধাৰ সত্ৰ" বোলা হৈছে সেইটো সহজে অনুমান কৰিব পাৰি। সেইদেখি ৰাধাই আসামলৈ আহি প্ৰথমতে আসামত বৈষ্ণৱধৰ্ম্ম প্ৰচাৰ কৰাৰ ইও এটা ডাঙৰ প্ৰমাণ মই পাইছোঁ। প্ৰত্নতত্বজ্ঞ পণ্ডিত-সকলে অৱশ্যে মোৰ এই কথা বিচাৰ কৰি চাব। ৰাধা আসামলৈ অহা কথাৰ সপেক্ষ মই যি মন্তব্য প্ৰকাশ কৰিছোঁ, সেই মন্তব্য সম্প্ৰতি মোৰ হাতত পৰা পুৰণি পুথিকেইখনৰ দ্বাৰাই নিঃসন্দেহে প্ৰমাণিত হৈছে। "সাধু ৰত্নাকৰ" নামে মই এখনি উৎকৃষ্ট পুথি পাইছোঁ, তাত শ্ৰীমতী ৰাধা আসামলৈ অহাৰ বিস্তৃত বিবৰণ লিপিবদ্ধ আছে; সেইখনৰ গ্ৰন্থকাৰ বালমুকুন্দ দেৱ।কবিশেখৰ। এইজন যে পৰম পণ্ডিত অনন্ত কন্দলি তাত মোৰ সন্দেহ নাই। মই পুথিখনৰ ভিতৰৰা গঢ়-গতিৰপৰা এই কথাৰ অনেক প্ৰমাণ পাইছোঁ, সেইবোৰ এতিয়া কৰলৈ গলে কথাৰ আকাৰ বৃহৎ হৈ যাব। ঈশ্বৰে যদি সময় আৰু সুবিধা দিয়ে তেন্তে মই সেইবোৰৰ বহলকৈ আলোচনা কৰি এখন ডাঙৰ কিতাপ লেখিম বুলি থিৰ কৰি থৈছোঁ। মুঠতে কওঁ, অনন্ত কন্দলিয়ে অনেক নাম লৈ অনেক পুথি লিখিছিল। কবিশেখৰ নামেৰেও তেওঁ তেনে কাৰ্য্য কৰাৰ প্ৰমাণ আছে; এতেকে এই বালমুকুন্দ দেৱ কবিশেখৰেই যে অনন্ত কন্দলি তাক সহজেই বুজিব পাৰি। মোৰ প্ৰবন্ধত এওঁৰ পুথিৰ সহায় লৈ যি ডোখৰ লেখিছোঁ, সেই ডোখৰ তোমাক পঢ়ি শুনাওঁ। পুথিখনৰ ভাষা অতি প্ৰাচীন গঢ়ৰ, সেইদেখি মোৰ এই প্ৰবন্ধত তাৰ সাৰ সঙ্কলন কৰি আজি-কালিৰ ভাষাত এই দৰে লেখিলোঁ। অৱশ্যে পিছত মই ৰচিবলৈ যুগুত কৰা বৃহৎ গ্ৰন্থ "সাধু ৰত্নাকৰৰ ভাষ্যত"সেই passageবোৰ গোটে গোটে তুলি দিবলৈ পলোঁ।



"ৰাধিকাক সকলোৱে ব্ৰজৰ গোপিনী বুলি ভাবে, কিন্তু সেইটো মত ভুল। ৰাধিকা আচলতে বঙ্গৰমনী বঙ্গালিনী। তেওঁৰ জন্ম বঙ্গদেশৰ অন্তৰ্গত ৰাধানগৰত, যি ৰাধানগৰতে পিছৰ কালত ১৭৭২ খৃষ্টাব্দত বঙ্গদেশৰ সুবিখ্যাত মহাত্মা ৰাজা ৰামমোহন ৰায়ৰ জন্ম হয়। বাস্তবিক পক্ষত তাত ৰাধাৰ জন্ম হোৱাৰপৰাহে সেই ডোখৰ ঠাই ৰাধানগৰ বুলি প্ৰখ্যাত হয়। ৰাধা প্ৰসিদ্ধ বসু বংশ সম্ভূতা ললনা আছিল। ৰাধানগৰৰ বসু পৰিবাৰ প্ৰসিদ্ধ বৈষ্ণৱ আছিল। আঠ কি ন বছৰ বয়সতে ৰাধানগৰৰে আয়ানচন্দ্ৰ ঘোষ নামে এজনেৰে সৈতে ৰাধাৰ বিবাহ হয়। এই ঘোষবংশ মহাশাক্ত মহাতান্ত্ৰিক আছিল। ৰাধাই শহুৰেকৰ ঘৰলৈ আহি দেখিলে যে তেওঁৰে সৈতে শহুৰ শাহু আৰু স্বামী ননন্দ কাৰো কোনো কথাতে মত নিমিলে, বিশেষকৈ ধৰ্ম্ম বিষয়ত; সেইদেখি তেওঁ স্বামীগৃহবাস পৰিত্যাগ কৰি, পিছৰ কালৰ মীৰাবাইৰ নিচিনাকৈ, বৃন্দাবনলৈ যাবলৈ [illegible] কৰি এদিন মাজনিশা ঘৰ এৰি বৃন্দাবন-মুৱা হৈ গুচি গল। তেতিয়া আইত গছৰ টোপাল সৰিছিল, আৰু বৰ হুদূৰে তিনিবাৰ মাতিছিল। অনেক দিনৰ মূৰত তেওঁ গৈ গৈ বৃন্দাবন পায়, আৰু তাতে কৃষ্ণক লগ পায়। ইত্যাদি, ইত্যাদি। বৃন্দাবনৰ ৰাধাকৃষ্ণৰ লীলাৰ বিষয়ে এই পুথিত যি লেখিছে, সেই বিবৰণ প্ৰায় সকলোবোৰ শ্ৰীমদ্ভাগৱতে দিয়া বিবৰণেৰে মিলে, সেইদেখি সেইবোৰৰ বিষয়ে আমি ইয়াত পুনৰুল্লেখ কৰাৰ আৱশ্যক নেদেখোঁ। কৃষ্ণ মথুৰালৈ গলত ৰাধাই বিৰহ-অগণিত দগ্ধ হৈ কি কৰিছিল, সেই ছোৱাৰ সংক্ষেপ বিবৰণহে, আমি আবিষ্কাৰ কৰা এই অসমীয়া প্ৰাচীন পুথিত যি লেখা আছে তাক আজি পাঠকসকলৰ আগত প্ৰকাশ কৰিম, কাৰণ, সি একেবাৰেই নতুন, আৰু প্ৰত্নতত্বৰ হিচাপত অমূল্য।

ৰাধাই কৃষ্ণৰ বিৰহত ব্যাকুল আৰু উন্মাদৰ নিচিনা হৈ, কৃষ্ণক বিচাৰি বিচাৰি আহি আসাম ওলাইছিলহি। গুৱাহাটীৰ লতাশিলৰ ওচৰতে তেওঁ কান্দি কান্দি গৰখীয়া লৰা এটাক কৃষ্ণৰ বাতৰি শুধিলে। সেইদিনা ফাকুৱা আছিল। গৰখীয়া লৰাটোৱে তেওঁক সামান্য তিৰুতা বুলি ভাবি, তেওঁৰ কথাৰ উত্তৰ নিদি, তেওঁৰ চকুত ফাকু মাৰি দিলে। চকুত ফাকু খাই ৰাধাই গীত ধৰিলে,—

"হেৰ গৰখীয়া লৰা তই,
কেলেই মোৰ চকুতে মাৰিলি ফাকু?
গৰখীয়া লৰা তই,
ৰজাৰ জীয়াৰী মই,
কেলেই মোৰ চকুতে মাৰিলি ফাকু?"

গৰখীয়া লৰাটোৱে উত্তৰ দিলে—"তুমি যদি বজাৰ জীয়ৰী হোৱাঁ, তেনেহলে এইদৰে সাধাৰণ মানুহৰদৰে খোজকাঢ়ি ৰলিয়া-বটীয়াৰ নিচিনাকৈ ফুৰিছা কেলৈ? তুমি ফুৰিবলৈ দোলা এখনো নাপালা নে কি? এই কথা শুনি, ৰাধাই গুৱাহাটীৰ কামাখ্যা, আৰু দীঘলীপুখুৰীৰ ফালে আঙুলিয়াই গীত ধৰিলে—

"ৰামকুণ্ড, শ্যামকুণ্ড, গিৰিগোবৰ্দ্ধন।
মধুৰ মধুৰ বাঁহী বায় এই বৃন্দাবন॥"

গৰখীয়া লৰাটোৱে ৰাধাৰ গঢ়-গতি দেখি তেওঁক বলিয়া বুলি তাতে এৰি থৈ গুচি গল।

ইয়াৰ পিছত ৰাধাই ফাঁচীবজাৰৰ কাষ পাই, মুছলমান ভদ্ৰলোক এজনক, কৃষ্ণৰ কিবা বাতৰি তেওঁ দিব পাৰেনে বুলি সুধিলত, ভদ্ৰলোকজনে ৰাধাৰ কথাৰ মানে বুজিব নোৱাৰি, তেওঁৰে চিনাকী শুধিছে বুলি ভাবি তেওঁৰ আতৰ-সনা গোফত তাও দি, গীতৰ সুৰেৰে ৰাধাক এইদৰে নিজৰ চিনাকী দিলে—

"মৌলবী ফচিয়ৎ উল্লা খান বাহাদুৰ,
ধুন্দুৰাধুন্দুৰ।
দেবনাগৰ, বাংলা, আৰ্‌বী,
উৰ্দ্দূ, ফাৰ্চী, মেমালবী,
সব ইলিমকু ইলিমকিয়া
আপ্‌না ভৰপূৰ!"

ইয়াৰ পিছত ৰাধাই খোৰা হিন্দুস্থানী অহোবলিয়া মানুহ এটাক লগ পাই কৃষ্ণৰ কথা শুধিলত, সি আহাম্মকৰদৰে কিছুমান পৰ মুখ মেলি আঁ কৰি থাকি, ৰাধাৰ মুখলৈ চাই গান ধৰিলে—

"পাতাৰডিয়া তেৰে কাৰণ লিয়ে যায়।
আপনাজী আপনাভি,
পানীয়া পিলাও হো,
হু-বানা লোটে বানা.
জোৰেসে মালিয়া তেৰে কাৰণ লিয়ে যায়॥"

ইয়াৰ পিছত ৰাধাই এজন মহাপুৰুষীয়া ভকত লগ পোৱাৰ কথা এই পুথিত



আছে। ভকতজনক ৰাধাই কৃষ্ণৰ কথা শুধিলত ভকতজনে সেই প্ৰশ্নৰ মৰ্ম্ম বুজিব পাৰিলেনে নোৱাৰিলে কব নোৱাৰোঁ, আন একো নকৈ মাথোন এই পদ কেফাকি মাতিলে—

"যত দেখা ভাৰ্য্যা পুত্ৰ সবে অকাৰণ।
চাই মাত্ৰ থাকে কালে ধৰে যেতিক্ষণ॥
বিষয়ৰ আশা এক তিলে কৰি চুৰ।
যমৰ কিঙ্কৰে ধৰি নিবে যমপুৰ॥"

ইয়াৰ পিছত ৰাধাই পৰশুৰাম কুণ্ডৰ ফালে যোৱা কথা এই পুথিত লেখিছে। পৰশুকুণ্ডত ৰাধাৰে সৈতে এজনী মিচিমী ছোৱালীৰ বন্ধুতা হৈছিল। তাতে ৰাধাই প্ৰাণ এৰিলে নে কি, পুথিখনত স্পষ্টকৈ লেখা নাই। মাথোন এদিন ৰাধাই মিচিমী ছোৱালীজনীক এই কথাষাৰ গান কৰি কোৱা বুলি লেখা আছে—

"প্ৰাণ যদি দেহ ছাড়ে,
না দহ বহ্নিতে মোৰে,
ভাসাইয়ো না যমুনা সলিলে।
অ সখি ৰে!
তুলসীদাম বিছাইয়ে,
চন্দন তাহে লেপিয়ে,
লিখিয়া এ দেহে হৰিনাম,
যতনে বাঁধিও ওই তমালেৰি ডালে।
এই দেহে কৃষ্ণ বিলাস কৰে গেছে।"

ওপৰৰ কথাবোৰৰপৰা আমি এই কেইটা তথ্য পালোঁ—(১) ৰাধা বঙ্গদেশৰ মানুহ, বঙ্গালিনী। (২) বঙ্গদেশৰপৰা তেওঁ গৈ বৃন্দাবনত কৃষ্ণলীলাত সহানুভূতি প্ৰকাশ কৰি যোগদান কৰিছিল। (৩) কৃষ্ণ মথুৰালৈ গলত ৰাধাই কৃষ্ণৰ বিৰহত আকুল হৈ, কৃষ্ণক বিচাৰি আসাম পাইছিলহি, আৰু তেওঁ পৰশুৰামকুণ্ড পৰ্য্যন্ত গৈছিল, যত সম্ভৱতঃ ৰাধাৰ মৰ্ত্ত্যলীলাৰ অৱসান হয়। (৪) আৰু এটা কথাৰ আমি তত্ত্ব পাওঁ— মছলেম ধৰ্ম্ম আৰু মহাপুৰুষীয়া বৈষ্ণৱধৰ্ম্ম শ্ৰীকৃষ্ণ জন্মৰ আগেয়েই প্ৰচাৰ হৈছিল—অন্ততঃ আসামত। (৫) আৰু কলিকতাৰ "বেঙ্গল থিয়েটৰত" কৃষ্ণ-

লীলাৰ অভিনয় হোৱাৰ পিছত শ্ৰীমতী ৰাধিকাৰ আসাম ভ্ৰমণ ঘটিছিল। মহার্ণব প্ৰত্নতাত্বিকসকলৰ বিচাৰ আৰু বিবেচনাৰ নিমিত্তে এই সিদ্ধান্তকেইটা এৰি, আজিলৈ বিদায় ললোঁ।

শ্ৰীকৃপাবৰ বৰবৰুৱা প্ৰত্নতত্ত্বমহোদধি।

---

## মহাত্মা গোখেল।

ভাৰতৰ শ্ৰেষ্ঠ ৰত্ন কহিনুৰ মণি!
গোপাল গোখেল তুমি তাজি মৰ্ত্ত্যভূমি,
দেশ হিতব্ৰত ধৰ্ম্ম পুণ্যৰ ফলত
হাঁহি হাঁহি সৰগ পুৰিত বিৰাজিছা।
নিকিনা গোলাম হই ভাৰত মাতাৰ
ভাৰত-সেৱক-মালা সুন্দৰ গাঁথিলা,
পূজিলা মাতৃক আৰু বিবিধ বিধানে
আপোন স্বাৰ্থকো কৰি পৰ জানিছিলা
মহাবীৰ বীজ-মন্ত্ৰ জননী পূজাৰ।
গম্ভীৰ মুৰতি দেৱতুল্য প্ৰতিভাৰ,
ভ্ৰাতৃ প্ৰেমে পমা তৱ কোমল হিয়াৰ
প্ৰতিবিম্বে ভাৰতক দিব সোৱঁাই—
'মহাত্মা গোখেল বীৰ জাতীয় বুজঁৰ'
মৰিও অমৰ তেওঁ মৰিও অমৰ।'

শ্ৰীৰুদ্ৰকান্ত দেৱ গোস্বামী।

---

## প্ৰাপ্তি স্বীকাৰ।

"অদমীয়া ৰাম বনবাস।" "দ্বিপুঞ্জয় স্মৃতি বা প্ৰায়শ্চিত্ত ব্যবস্থা বিধান।" এই দুখন কিতাপ আমি শ্ৰীযুত তীৰ্থনাথ গোস্বামীৰপৰা পাইছোঁ।